man became a living soul.' (Gen 2 : 7)

মানৱৰ জন্ম ৰহস্য ভেদ কৰাৰ বাবে আৰু সমাজৰপৰা মানুহৰ সৃষ্টি সম্পৰ্কে থকা ভুল ধাৰণা আঁতৰ কৰাৰ বাবে বিভিন্ন বৈজ্ঞানিক, দাৰ্শনিক আদিয়ে যথেষ্ট কষ্ট স্বীকাৰ কৰিব লগীয়া হৈছিল, এনেকি তেওঁবিলাকৰ কেইজনমানে নিজৰ বহুমূলীয়া জীৱন বলিদান দিয়াৰ উদাহৰণো পোৱা যায়। প্ৰখ্যাত গ্ৰীক্ দাৰ্শনিক এৰিষ্টোটলে (খৃঃ পূঃ ৩৮৪—খৃঃ পূঃ ৩২২) পোন প্ৰথম বাৰৰ বাবে মানুহক পুংখানুপুংখ ৰূপে অধ্যয়ন কৰি মানুহৰ লগত আন স্তন্যপায়ী জন্তু সমূহৰ এটা তুলনামূলক আলোচনা কৰাৰ উপৰিও জীৱ জগতত মানুহৰ স্থান সম্পৰ্কে নিজৰ মতামত দাঙি ধৰে। ১৭০৮ চনত চুইজাৰলেণ্ডৰ প্ৰকৃতিবিদ্ কাৰ্ল লিনিয়াছে শৰীৰিক গঠনৰ সাদৃশ্যলৈ চাই মানুহক অন্যান্য জীৱৰ লগত স্থান দিয়ে আৰু এই স্থান নিৰ্ণয় কৰে সকলো জীৱনৰ ওপৰত। লিনিয়াছেই পোন প্ৰথম বাৰৰ বাবে পৃথিৱীৰ সকলো মানুহকেই ,হ'ম' ছেপিয়েন্ছ্ (Homo Sapience) নামৰ একেটা পৰিয়ালৰ অন্তৰ্ভুক্ত কৰে। ফৰাচী জীৱবিদ্ জিন্ লেমাৰ্কে ১৮০৯ খৃঃত, তেখেতৰ 'Philosophy of Zoology' নামৰ গ্ৰন্থৰ জৰিয়তে জৈৱ বিৱৰ্তনৰ মতবাদ (Theory of organic evolution) জগতৰ আগত দাঙি ধৰে। তেওঁৰ মতবাদ অনুসৰি জৈৱ বিৱৰ্তনৰ মূল কথা দুটা : (১) অঙ্গবোৰৰ প্ৰয়োগ আৰু অপ্ৰয়োগ (Uses and disuses of parts) আৰু (২) লব্ধ গুণ সমূহৰ উত্তৰাধিকাৰ স্বত্ব (inheritance of acquired characters)। —তেওঁ কৈছিল যে প্ৰাণীৰ যিবোৰ অঙ্গ সদায় ব্যৱহাৰত আছে সেইবোৰৰ ক্ৰমবৰ্দ্ধন হৈ চিৰস্থায়ী হয়। আনহাতে যিবোৰ অঙ্গৰ কোনো প্ৰয়োজন নাথাকে সেইবোৰ ক্ৰমান্বয়ে লুপ্ত হৈ যায়। লেমাৰ্কৰমতে উদ্ভিদৰ ক্ষেত্ৰতো বিভিন্ন পাৰিপাৰ্শ্বিক অৱস্থাত থাকিবলগীয়া হোৱাত উদ্ভিদবোৰে ক্ৰমশঃ বিভিন্ন গুণ কিছুমান লাভ কৰে। এইদৰে প্ৰাণী আৰু উদ্ভিদে লাভ কৰা গুণসমূহ বংশানুক্ৰমে এটা জনুৰপৰা আন এটা জনুলৈ উত্তৰাধিকাৰ সূত্ৰে স্থানান্তৰিত হৈ থাকে। লেমাৰ্কে নিজে দিয়া উদাহৰণ হ'ল জিৰাফ্। তেওঁৰ মতে জিৰাফৰ পূৰ্ব পুৰুষসকল ঘোঁৰাৰ দৰে প্ৰাণী আছিল আৰু আফ্ৰিকা মহাদেশৰ মৰুভূমিৰ দৰে শুকান ঠাইত ইয়াঁৰ বসতি আছিল। সেই ঠাইবোৰত ঘাঁহ-বন বেছিকৈ নথকাত এই প্ৰাণী—বোৰে ডিঙিটো দীঘলকৈ মেলি ওখ গছ-গছনি আদিৰ পাত খাই জীয়াই থাকিব লগা হ'ল। এই নিত্য ব্যৱহাৰ আৰু শাৰীৰিক ব্যায়ামৰ ফলত ইয়াৰ ডিঙিত আৰু আগ ঠেং দুখন ক্ৰমান্বয়ে দীঘল হ'বলৈ ধৰিলে আৰু অৱশেষত এবিধ নতুন শ্ৰেণীৰ প্ৰাণী জিৰাফ্ৰ বিকাশ হ'ল। লেমাৰ্কে মানুহক জৈৱ বিৱৰ্তনৰ ফলত বিকাশ লাভ কৰা এবিধ প্ৰাণী বুলি অভিহিত কৰিছিল। মানৱৰ প্ৰাকৃতিক বিকাশৰ ওপৰত গুৰুত্ব দি—লেমাৰ্কে বহুতো নিৰ্ভুল মত দাঙি ধৰিছিল। তেওঁৰমতে মানুহে আদিম অৱস্থাৰপৰা প্ৰকৃত মানৱৰ আকৃতি পাবলৈ নানান স্তৰৰ মাজেৰে পাৰহৈ আহিব লগীয়াত পৰিছিল। নানান প্ৰাকৃতিক কাৰণত মানুহৰ আদি পুৰুষ বনমানুহে

গছ এৰি মাটিত বাস কৰিবলৈ লোৱাৰ ফলত শাৰীৰিক গঠনত বহুতো পৰিৱৰ্তন হয়। মানুহৰ আদি পুৰুষে গছ এৰি মাটিত বাস কৰিবলৈ লোৱাৰ কাৰণ বহুতো। সেই সময়ত ভূপৃষ্ঠৰ নানা ধৰণৰ পৰিবৰ্তনৰ ফলত গছ-গছনি কমি আহিছিল। সেইবাবে স্বাভাৱিকতে মানুহৰ আদি পুৰুষে গছ এৰি মাটিৰ জীৱন যাত্ৰাক আঁকোৱালি ল'বলৈ বাধ্য হৈছিল। বৃক্ষবাসী মানুহৰ আদি-পুৰুষে হাত দুখনেৰে গছৰ ডালে ডালে বগাই ফুৰিছিল, ফলত হাত দুখন ভৰি দুখনতকৈ বেছি দীঘল আৰু শক্তিশালী আছিল। মাটিলৈ নামি অহাৰ লগে লগে চলাচলৰ কাৰণে হাতৰ কাম কমি আহিল; ভৰি দুখনেই শৰীৰৰ সমস্ত ওজন বহন কৰিবলগীয়া হ'ল। ফলত লাহে লাহে ভৰিৰ আকাৰ আৰু গঠনৰ পৰিৱৰ্তন হ'ল; বৃক্ষবাসী আদি পুৰুষৰ তুলনাত মানুহৰ ভৰিৰ দৈৰ্ঘ্য হাততকৈ বেছি হ'ল।

ওপৰত উল্লেখ কৰা পৰিবৰ্তনবোৰৰ উপৰিও দুই ভৰিৰ ওপৰত ভৰ দি, পোন হৈ মাটিত খোজ কাঢ়িবলৈ লোৱাৰ ফলত মানুহৰ লাও-খোলাৰো কিছুমান পৰিৱৰ্তন হ'ল। ইয়াৰ ভিতৰত মহাৰন্ধ্ৰৰ অৱস্থান উল্লেখযোগ্য। গছত বাসকৰা অৱস্থাত মানুহৰ আদি পুৰুষৰ মহাৰন্ধ্ৰৰ (foramen megnum) অৱস্থান লাওখোলাৰ আপেক্ষিক ভাৱে পিছলৈ অৱস্থিত আছিল। কিন্তু মাটিত পোন হৈ খোজ কঢ়াৰ প্ৰয়োজনত মহা-ৰন্ধ্ৰৰ অৱস্থান লাওখোলাৰ প্ৰায় কেন্দ্ৰস্থললৈ আহিল। ফলত বাজহাড়ৰ ওপৰত মূৰটো থিয়কৈ ৰাখিব পৰা হ'ল। লাওখোলাৰ পৰিৱৰ্তনৰ উপৰিও মাটিত বসবাসৰ প্ৰয়োজনত বাজহাড়, হনু, দাঁত, শ্ৰোণী অস্থি আদিৰো নানান পৰিৱৰ্তন সাধিত হৈ আদিম মানৱে প্ৰকৃত মানৱৰ আকৃতি পালে। লেমাৰ্কৰ মতে, মানুহৰ সামাজিক জীৱনে মানুহক কথা কব পৰা শক্তি প্ৰদান কৰে। লেমাৰ্কে জীৱৰ বিৱৰ্তনৰ ওপৰত পাৰিপাৰ্শ্বিকতাৰ প্ৰভাৱ থকা কথাটোও দৃঢ়ভাৱে বিশ্বাস কৰিছিল। কিন্তু লেমৰ্কৰ মতবাদেও সেই সময়ৰ জীৱৰ স্থিৰতা সম্পৰ্কে থকা মতবাদ (Theory of the immutability of species) ভাঙি পেলাব পৰা নাছিল।

ঊনৈশ শতিকাৰ আৰম্ভণিতেই ভূতাত্ত্বিক আৰু প্ৰত্নতত্ত্ববিদসকলে কিছুমান প্ৰাচীন জীৱৰ জীৱাশ্ম আৰু সঁজুলি আবিষ্কাৰ কৰে। ইতিমধ্যেই ইউৰোপৰ বিভিন্ন পণ্ডিতে বৈজ্ঞানিক চিন্তাধাৰাৰে মানুহৰ সৃষ্টিৰ আদি ৰহস্য উদ্ঘাটন কৰাৰ বাবে উঠি পৰি লাগিছিল। সেয়ে এই আবিষ্কাৰবোৰে বিজ্ঞান জগতত তোলপাৰ লগায় আৰু ফলত ঊনৈশ শতিকাৰ মাজভাগলৈ মানুহৰ উৎপত্তি সম্বন্ধে বৈজ্ঞানিকসকলৰ মাজত নানা ধৰণৰ আলোচনা হয়। লেমাৰ্কৰ Philosophy of Zoology প্ৰকাশৰ আধা শতিকাৰ ভিতৰতেই বৈজ্ঞানিকসকলৰ প্ৰকৃতি সম্বন্ধে থকা জ্ঞান-ধাৰণা বহুখিনি বৃদ্ধি পায়। সেই সময়তে চাৰ্লচ লায়েলৰ ভূতত্ত্বৰ ওপৰত চলোৱা গৱেষণামূলক কামকাজে ভূগৰ্ভৰ বিভিন্ন স্তৰত হোৱা প্ৰাকৃতিক পৰিৱৰ্তন আৰু জীৱাশ্ম সম্বন্ধে এটা সুস্পষ্ট ধাৰণা জগতৰ আগত দাঙি ধৰে।

এইফালে খৃঃ ১৮০৯ চনত অৰ্থাৎ যি সময়ত

লেমার্কে তেওঁৰ মতবাদ জগতৰ আগত দাঙি ধৰিছিল, সেই সময়তে মহামতি চার্লছ ৰবার্ট ডাৰউইনৰ (Charles Robert Darwin) ইংলেণ্ডৰ শ্রুজবেৰি নামে ঠাইত জন্ম হয়। সৰুকালত ডাৰউইনে নিজৰ মেধা শক্তিৰ পৰিচয় দিব পৰা নাছিল। তেওঁ প্রথমতে ডাক্তৰী পঢ়িবলৈ গৈছিল। কিন্তু ডাক্তৰী শিক্ষা বাদ দি তেওঁ ঈশ্বৰ-তত্ত্ব জ্ঞানতহে মনোনিবেশ কৰিলে। এই বিষয়ত তেওঁ এটা ডিগ্রীও লাভ কৰে। ঈশ্বৰতত্ত্ব জ্ঞানৰ চর্চা কৰিলেও ডাৰউইনে কিন্তু লগে লগে প্রকৃতিৰ অনুসন্ধানতো সময় কটাইছিল। মহামতি চার্লছ ডাৰউইনৰ জীৱনৰ এটা বৃহৎ পৰিৱৰ্তন আহি পৰিল যেতিয়া তেওঁ দক্ষিণ আট্লাণ্টিক আৰু প্রশান্ত মহাসাগৰ ভ্রমণ কৰিবলৈ যোৱা ৰাজকীয় জাহাজ বিগল'ৰ প্রকৃতিবিদ্ নিযুক্ত হ'ল। এই ভ্রমণটো ১৮৩১ চনৰপৰা ১৮৩৬ চনলৈ চলিল আৰু এই সময়ছোৱাত ডাৰউইনে অসংখ্য নতুন নতুন উদ্ভিদ আৰু জীৱজন্তু আবিষ্কাৰ কৰিলে আৰু সেইবোৰৰ টোকা লিখিলে। ভ্রমণকালত ডাৰউইনে পাটাগোনিয়াত এনে কিছুমান জন্তুৰ জীবাশ্ম দেখিছিল যিবোৰ জন্তুৰ জাতি পৃথিবীৰ পৰা কেতিয়াবাই বিলুপ্ত হৈছে। ইয়েই ডাৰউইনক চিন্তাৰ সাগৰত বুৰাই পেলালে। তেওঁ চিন্তা কৰিবলৈ ধৰিলে কিদৰে আৰু কি কাৰণত এই জন্তুবোৰৰ বংশ একেবাৰে পৃথিৱীৰপৰা বিলুপ্ত হ'ল। অৱশেষত তেওঁ এইটোকে ঠাৱৰ কৰিলে যে এই জন্তুবোৰৰ বংশ পৃথিবীৰপৰা একেবাৰে নিঃচিহ্ন হৈ যোৱা নাই; নিশ্চয় কোনো কাৰণত তাৰ বংশ পৰিবর্তন হৈ নতুন বংশৰ সৃষ্টি কৰিছে। অকল এই ধাৰণা ঠাৱৰ কৰিয়েই তেওঁ ক্ষান্ত নেথাকিল। ইয়াৰ সত্যাসত্যতা প্রমাণ কৰাৰ বাবে ডাৰউইন উঠি পৰি লাগিল। অৱশেষত ১৮৫৯ চনত ডাৰউইনে তেওঁৰ মনত উদয় হোৱা সকলো প্রশ্নৰ উত্তৰ হিচাপে তেওঁৰ যুগান্তকাৰী—অমূল্য গ্রন্থ Origin of Species' (জীৱৰ উৎপত্তি) প্রকাশ কৰে। এই গ্রন্থৰ প্রকাশেই জৈৱ বিৱৰ্তনৰ ভেটি সুদৃঢ় কৰি তোলে। কিদৰে বিভিন্ন গছ-গছনি আৰু জীৱ-জন্তু সমূহৰ উৎপত্তি আৰু ক্রমবিকাশ হ'ল তাৰ নিৰ্ভুল ব্যাখ্যা তেওঁ এই গ্রন্থখনৰ মাজেৰেই জগতৰ আগত দাঙি ধৰে। সূক্ষ্ম অৱলোকন আৰু সুদীর্ঘ পৰীক্ষাৰ ওপৰত স্থাপিত তেওঁৰ এই মতবাদে বৈজ্ঞানিক জগতত জৈৱ বিৱৰ্তনবাদৰ ওপৰত বিশ্বাস স্থাপন কৰিলে। ডাৰউইনৰ বিৱৰ্তনৰ মতবাদটোক প্রাকৃতিক নির্বাচন মতবাদ (Theory of Natural Selection) বুলিও কোৱা হয়। এই মতবাদৰ জৰিয়তে ডাৰউইনে তিনিটা বিৱৰ্তনৰ নীতি দাঙি ধৰে। এই নীতি তিনিটা হ'ল—(১) অতি সংখ্যক সতি-সন্ততিৰ উৎপত্তি আৰু তাৰ ফলত হোৱা জীৱন যুদ্ধ বা জীয়াই থকাৰ প্রচেষ্টা (Over production of offspring and consequent struggle for existence):—এডাল গছৰপৰা বা এটা প্রাণীৰপৰা অসংখ্য সতি-সন্ততিৰ উৎপত্তি হয় আৰু যদি ইহঁতৰ প্রত্যেকেই জীয়াই থাকি ডাঙৰ-দীঘল হবলৈ হয় তেনেহলে অলপদিনৰ ভিতৰতে এইবোৰে বহুত ঠাই অধিকাৰ কৰি লব। ঠিক তেনেদৰে যদি অন্য গছ-গছনি আৰু প্রাণীবোৰেও সতি-সন্ততি উৎপাদন কৰে,

তেনেহলে এই অলেখ উদ্ভিদ বা প্ৰাণীবোৰৰ মাজত উপযুক্ত পৰিমাণৰ আহাৰ, পানী, ঠাই, ইত্যাদিৰ কাৰণে এখন জীৱন-যুদ্ধ বা জীয়াই থকাৰ প্ৰচেষ্টা চলে। কিয়নো পৃথিৱীত এই বস্তুবোৰৰ পৰিমাণ সীমাবদ্ধ। এই যুদ্ধৰ ফলত অতি অল্প সংখ্যক সতি-সন্ততিৰ বাহিৰে বেছি ভাগেই আহাৰ পানী আৰু ঠাইৰ অভাৱত ধ্বংসপ্ৰাপ্ত হয়।

(২) অযোগ্য সকলৰ নিধন বা সক্ষম জনৰ স্থিতি লাভ ( elimination of unfavourable variations or survival of the fittest ) জীৱৰ জীয়াই থকাৰ যি প্ৰচেষ্টা বা যুদ্ধ তাত যিবোৰৰ প্ৰকাৰণ শুদ্ধ পথেৰে হৈছে সেইবোৰ বৰ্তি থাকে আৰু সেই গুণবোৰ তাৰ সতি-সন্ততিলৈ স্বত্বাধিকাৰ সূত্ৰে হস্তান্তৰ হয়; যিবোৰৰ প্ৰকাৰণ শুদ্ধ পথেৰে হোৱা নাই সেইবোৰে জীৱন যুদ্ধত পৰাস্ত হৈ মৃত্যু বৰণ কৰে।

(৩) প্ৰকাৰণ আৰু স্বত্বাধিকাৰ ( Variations and their inheritance ) জীৱন সংগ্ৰামত জয়ী হৈ জীয়াই থাকিবলৈ জীৱই পাৰিপাৰ্শ্বিক অৱস্থাৰ লগত নিজকে খাপ খুৱাই লয়, ফলত শৰীৰৰ বিভিন্ন অঙ্গৰ পৰিবৰ্তন হয়। শৰীৰৰ এই পৰিৱৰ্তনবোৰ স্থায়ী হয় আৰু বংশগতিৰ ( heredity ) দ্বাৰা এটা জনুৰপৰা আন এটা জনুলৈ চলি থাকে। ফলস্বৰূপে নতুন নতুন জীৱৰ সৃষ্টি হয়।

বিৱৰ্তনৰ এই নীতিবোৰ মানুহৰ ক্ষেত্ৰতো প্ৰযোজ্য। আগেয়েই কোৱা হৈছে যে মানুহ ভগৱানৰদ্বাৰা বেলেগে মানুহ ৰূপে সৃষ্টি হোৱা জীৱ নহয়। বিৱৰ্তনৰ ফলত নানান অৱস্থাৰ মাজেৰে পৰা হৈ আহি মানুহে বৰ্তমানৰ ৰূপ পাইছে। ১৮৭১ চনত ডাৰউইনে তেওঁৰ আন এখন বিখ্যাত কিতাপ 'The Descent of Man' প্ৰকাশ কৰে। ইয়াত তেওঁ মানুহৰ লগত বিভিন্ন জীৱৰ শাৰীৰিক গঠন মূলক সাদৃশ্য সমূহ ফঁহিয়াই দেখুৱায়। মানুহ আৰু বিভিন্ন প্ৰাণীৰ জঁকা, মাংস-পেশী, স্নায়ু, ভ্ৰূণ আদি তুলনা কৰি তেওঁ দেখুৱায় যে কিছুমান প্ৰাণীৰ লগত মানুহৰ শাৰীৰিক গঠনৰ সাদৃশ্য আছে আৰু এই সকলোবোৰ জীৱৰ ভিতৰত 'প্ৰাইমেট' শ্ৰেণীৰ অন্তৰ্ভুক্ত বান্দৰ আৰু বন-মানুহৰ লগত মানুহৰ সাদৃশ্য আটাইতকৈ বেছি। ডাৰউইনৰ মতে অতি সাধাৰণ শ্ৰেণীৰ বান্দৰ জাতীয় জীৱৰ পৰাই ক্ৰমবিকাশৰ ফলত মানুহৰ উৎপত্তি হয়। মানুহৰ প্ৰাকৃতিক বিকাশৰ সাক্ষ্য হিচাপে ডাৰউইনে পৃথিবীৰ জন্ম ইতিহাস আৰু বিভিন্ন ভূতাত্ত্বিক কালত বিকাশ লাভ কৰা বিভিন্ন জীৱসমূহৰ বিষয়ে ভূতাত্ত্বিকসকলে আবিষ্কাৰ কৰা তথ্যসমূহ দাঙি ধৰিছিল। ডাৰউইনৰ দিনতে নৃতাত্ত্বিকসকলে মানুহৰ আদি পুৰুষ কেতবোৰৰ জীৱাশ্ম আৱিষ্কাৰ কৰে। এইবোৰৰ ভিতৰত জিব্ৰল্টাৰৰ লাওখোলা ( ১৮৪৮ ), নিয়াণ্ডাৰ থেলৰ লাওখোলাৰ ওপৰৰ অংশ ( ১৮৫৬ ) আৰু লানলেটিংপৰা উদ্ধাৰ কৰা অধোঃহনু ( ১৮৬৬ ) উল্লেখযোগ্য। এই জীৱাশ্মবোৰৰ বাহ্যিক গঠনে মানুহৰ আদি পুৰুষৰ বসবাসৰ প্ৰমাণ দিয়ে। ইতিমধ্যে পুৰাতাত্ত্বিকসকলে আৱিষ্কাৰ কৰা মানুহৰ আদিপুৰুষ সকলৰদ্বাৰা ব্যৱহৃত শিলৰ সা-সঁজুলিয়ে আদি মানৱৰ স্থিতিৰ ধাৰণা আৰু দৃঢ় কৰি তোলে।

মানৱৰ প্ৰাকৃতিক বিকাশৰ অন্যান্য প্ৰমাণ হিচাপে ডাৰউইনে শৰীৰতত্ত্ব, ভ্ৰূণ-বিজ্ঞান, জীৱ-বিজ্ঞান, মনস্তত্ত্ব আদিয়ে আগবঢ়োৱা বিভিন্ন বৈজ্ঞানিক তথ্য দাঙি ধৰে। এইবোৰৰ ওপৰত ভিত্তি কৰিয়েই তেওঁ মানৱৰ জন্ম সম্পৰ্কে নিজৰ মতবাদ দৃঢ়তাৰে প্ৰকাশ কৰে। ডাৰউইনৰ মতে — 'টাৰচিয়াৰি' যুগত প্ৰাচীন গোলাৰ্দ্ধত বাস কৰা বন মানুহ সদৃশ জীৱাশ্ম মানৱ সকলেই বৰ্তমান যুগৰ মানুহৰ পূৰ্বপুৰুষ। তেওঁ তেওঁৰ The Descent of Man নামৰ কিতাপখনত এই ধৰণে উল্লেখ কৰিছে — 'The Simiidae then branched off into two great stems, the New world and Old world monkeys; and from the latter, at a remote period, Man, the wonder and glory of the Universe, proceeded.' মহামতি ডাৰউইনৰ নিৰ্ভুল মতামতে বৃক্ষবাসী মানুহৰ আদি পুৰুষে নানান প্ৰাকৃতিক পৰিৱৰ্ত্তনৰ ফলত গছ এৰি মাটিত বাস কৰিবলৈ বাধ্য হয়। মাটিৰ জীৱনে তেওঁলোকক দুই ভৰিৰ ওপৰত পোন হৈ খোজ কাঢ়িবলৈ বাধ্য কৰায়। পাৰিপাৰ্শ্বিক অৱস্থাৰ প্ৰভাৱৰ ফলত তেওঁলোকৰ নানান দৈহিক পৰিৱৰ্তন সাধিত হয়। কালক্ৰমত এওঁলোকৰ মগজুই এক জটিল বৰ্দ্ধিত ৰূপ ধাৰণ কৰে। ক্ৰমান্বয়ে মানসিক বিকাশৰ ফলত মানুহৰ আদিপুৰুষে শিলৰ অস্ত্ৰ-শস্ত্ৰ তৈয়াৰ কৰিবলৈ শিকে। সমূহীয়া জীৱনে মানুহক কথা ক'বলৈ আৰু জুই ব্যৱহাৰ কৰিবলৈ শিকায়। ইয়াৰ লগে লগেই মানুহে আন প্ৰাণীবোৰতকৈ উচ্চত এক সুকীয়া আসন লাভ কৰে।

ডাৰউইনৰ পৰৱৰ্তী কালত বিভিন্ন দেশত নতুন নতুন জীৱাশ্মৰ অৱশেষ আৱিষ্কাৰ হয়। এতিয়ালৈকে বিভিন্ন দেশৰপৰা আৱিষ্কাৰ কৰা-অষ্ট্ৰেল'পিথেকাছ, আফ্ৰিকেনাছ, প্লেছি এনথ্ৰপাছ ট্ৰান্স ভালেন্‌ছিছ, পেৰানথ্ৰপাছ ক্ৰেছিডেনছ, জিন্‌-জান্‌ থ্ৰপাছ বয়ছি, পিথেকেনথ্ৰপাছ ইৰেক্‌টাছ, চিনান্‌থ্ৰপাছ পেকিনেন্‌ছিছ, হ'ম'চোলোবেন্‌ছিছ, হ'ম' ৰডেছিয়েনছিছ, হ'ম' হাইডেল্‌ বাৰ্গেনছিছ, হ'ম' নিয়ান্‌ডাৰথেলেনছিছ, গ্ৰিমালডি, ক্ৰ'মেগ্‌-নন্‌, ছেন্‌ছিলেইড আদি বিভিন্ন ভূতাত্ত্বিক কালৰ মানুহৰ পূৰ্বপুৰুষ সকলৰ জীৱাশ্মই ডাৰউইনৰ বিৱৰ্তনৰ মতবাদ সত্য বুলি প্ৰমাণ কৰিছে।

---

প্ৰবন্ধটি যুগুত কৰোঁতে তলত দিয়া কিতাপবোৰৰ সহায় লোৱা হৈছে—
The Holy Bible (Old Testament)
The Descent of Man, vol. II—Charles Darwin
The Origin of Man - M. Nesturkh.
Cultural Anthropology - M. J. Herskovit.
A History of Britain - Carter & Mears.
নৃতত্ত্ব পৰিচয় (১ম ভাগ)—অধ্যাপক মাধৱ চন্দ্ৰ গোস্বামী
ডঃ প্ৰিয় বালা দাস
ডঃ তৰুণ চন্দ্ৰ শৰ্ম্মা।
জীৱবিদ্যা পৰিচয়—শ্ৰীপ্ৰভাত চন্দ্ৰ দাস, এম, এছ, ছি।

প্ৰবন্ধ

# —লোকনায়ক জয়প্ৰকাশ নাৰায়ণ ঃ এটি শ্ৰদ্ধাঞ্জলি –

শ্ৰীলক্ষ্মী শৰ্মা

'It is sad to die when one is loved by so many people.'

বৰ্তমান শতিকাৰ ভাৰতীয় ইতিহাসৰ পাতত গভীৰভাৱে ৰেখাপাত কৰা ৰবেণ্য ব্যক্তিসকলৰ ভিতৰত লোকনায়ক জয়প্ৰকাশ নাৰায়ণ অন্যতম। তেওঁ আছিল ভাৰতৰ মুক্তি আন্দোলনৰ অন্যতম যোদ্ধা, আজীৱন সংগ্ৰামী, নিস্বাৰ্থ দেশসেৱক, কৰ্মযোগী তথা মানৱ প্ৰেমিক। তেওঁৰ গোটেই জীৱন কাল ইমান ঘটনাবহুল যে ইয়াক এখন দীঘলীয়া ইতিহাস বুলি কব পাৰি। সুদীৰ্ঘ পঞ্চাশ বছৰৰো ওপৰকাল ভাৰতীয় ৰাজনীতিৰ লগত জড়িত জয়প্ৰকাশ ১৯৭৭ চনত ভাৰতীয় "গণতন্ত্ৰৰ ত্ৰাণকৰ্ত্তা" তথা "'৭৭'ৰ মহাত্মা" আদি নামেৰে প্ৰখ্যাত হৈ পৰে। ৰাজনীতিৰ বাহিৰেও সামাজিক, অৰ্থনৈতিক, আন্তৰ্জাতিক ক্ষেত্ৰত তেওঁৰ উল্লেখযোগ্য অৱদান আছে।

ভাৰতীয় জনগণৰ হৃদয় মানসত গভীৰ প্ৰভাৱ পেলাব পৰা এইজনা কৰ্মসাধক পুৰুষৰ জন্ম হৈছিল ইং ১৯০২ চনৰ ১১ অক্টোবৰ তাৰিখে বিহাৰ প্ৰদেশৰ অন্তৰ্গত 'সিতাবদিয়াৰা' নামে এখন অখ্যাত গাওঁৰ এটি নিম্ন মধ্যবিত্ত পৰিয়ালত। সোণ-ৰূপৰ চকুত হাত দি জন্ম লাভ কৰা নাছিল যদিও নিজ প্ৰতিভা আৰু অধ্যৱসায়ৰ গুণত তেওঁ জীৱনৰ দীঘল জখলাত চাপে চাপে আগুৱাই গৈ এক একক আৰু অনন্য স্থান লভিবলৈ সক্ষম হয়। কুৰিৰ দশকৰ আৰম্ভণিতে তেওঁ কলেজ ত্যাগ কৰি গান্ধীজীৰ নেতৃত্বত পৰিচালিত অসহযোগ আন্দোলনত যোগদান কৰি ৰাজনৈতিক জীৱনৰ পাতনি মেলে। অৱশ্যে ইয়াৰ কিছুকাল পাচতে তেওঁ উচ্চ শিক্ষা লাভ কৰাৰ উদ্দেশ্যে আমেৰিকা যুক্তৰাষ্ট্ৰলৈ যাত্ৰা কৰে। আমেৰিকাত তেওঁ প্ৰায় ৭ বছৰ কাল (১৯২২-১৯২৯) থাকে। এই কালছোৱা তেওঁৰ জীৱনৰ এক উল্লেখযোগ্য অধ্যায়। আমেৰিকাৰ বিশ্ববিদ্যা-

লয়ত নানা বিষয়ৰ শিক্ষা লাভ কৰাৰ লগতে তেওঁ বাস্তৱ জীৱন সম্পৰ্কেও বহুতো অভিজ্ঞতা অৰ্জন কৰে। আমেৰিকাত থকা কালতে তেওঁৰ মন মাৰ্ক্সীয় দৰ্শনৰ প্ৰতি আকৃষ্ট হৈ পৰে। মাৰ্ক্স, লেনিন, এঙ্গেলছ আদি বিখ্যাত মনীষী-সকলৰ লিখনিসমূহ অধ্যয়ন আৰু বিশেষকৈ সেই কালৰ মাৰ্ক্সবাদী মতবাদৰ অন্যতম ভাৰতীয় কৰ্ণধাৰ মিঃ এম, এন, ৰয়ৰ প্ৰভাৱে তেওঁৰ দৃষ্টিভঙ্গী সম্পূৰ্ণ সলনি কৰি পেলায় আৰু মাৰ্ক্সবাদী তত্ত্বৰ দ্বাৰাই ভাৰতীয় সমাজব্যৱস্থাৰ পৰিবৰ্তন সধাৰ কাৰণে সেইসময়ত তেওঁৰ মন উদ্‌গ্ৰীৱ হৈ উঠে। গান্ধীৰ দৰ্শনেৰে ৰাজনৈতিক জীৱনৰ পাতনি মেলা জয়প্ৰকাশ তেতিয়া গান্ধী চিন্তা চৰ্চাৰ তীব্ৰ সমালোচক হৈ পৰে।

অধ্যয়ন আৰু অভিজ্ঞতাপুষ্ট হৈ ১৯২৯ চনত তেওঁ স্বদেশলৈ উভতি আহে। সেই সময়ত ভাৰতীয় জাতীয় আন্দোলনে মহাত্মাগান্ধী, জৱহৰলাল নেহৰু আদি লোকৰ নেতৃত্বত প্ৰবল ৰূপ ধাৰণ কৰিছিল। মাৰ্ক্সবাদী মতবাদেৰে প্ৰভাৱিত হলেও জয়প্ৰকাশে দেশৰ স্বাৰ্থৰ হকে কংগ্ৰেছ তথা গান্ধীৰ নেতৃত্বতে স্বাধীনতা আন্দোলনত জপিয়াই পৰে। সেই সময়তে তেওঁ জৱহৰলাল নেহৰুৰ সান্নিধ্যতাও লাভ কৰে। প্ৰগতিশীল মনোভাবাপন্ন জৱহলালে তেওঁৰ চিন্তাধাৰাক আদৰণি জনালে আৰু তেওঁক নিখিল ভাৰত কংগ্ৰেছ কমিটিৰ শ্ৰম বিভাগৰ সম্পাদক নিয়োগ কৰিলে।

ইতিমধ্যে গান্ধীজীৰ নেতৃত্বত ২য় বাৰৰ কাৰণে আইন অমান্য আন্দোলন আৰম্ভ হৈছিল (১৯৩০)। চৰকাৰৰ কঠোৰ দমন নীতিৰ কাৰণে এই আন্দোলন কিন্তু ফলৱতী হব নোৱাৰিলে। আন্দোলনৰ এনে মন্থৰ গতিত জয়প্ৰকাশ তথা তেওঁৰ মাৰ্ক্সীয় অনুগামীসকল অসন্তুষ্ট হ'ল। তেওঁলোকে বিশ্বাস কৰিছিল যে যিমান দিনলৈকে ভাৰতীয় জাতীয় আন্দোলন মাৰ্ক্সৰ শ্ৰেণী সংগ্ৰামৰ ভিত্তিত প্ৰতিষ্ঠিত নহব আৰু যিমান দিনলৈকে শিল্পবনুৱা, কৃষক, ভূমিহীন লোকসকল, ছাত্ৰ-যুৱকসকল এক গোট তথা সুসংগঠিত নহব সিমান দিনলৈকে ইংৰাজক ভাৰতৰপৰা বিতাড়িত কৰা সম্ভৱ নহব আৰু সামন্তবাদী আৰু বুৰ্জোৱা সমাজ ব্যৱস্থাৰ পৰিৱৰ্তন ঘটোৱা অসম্ভৱ। সেয়ে নাচিক কাৰাগাৰৰপৰা মুক্তি পোৱাৰ পিচত জয়প্ৰকাশে তেওঁৰ সতীৰ্থ আচাৰ্য্য নৰেন্দ্ৰ দেৱ, ৰাম মনোহৰ লোহিয়া, মিনু মাচানী, এচ, এম, যোশী আদিক লৈ কংগ্ৰেছৰ মাজতে "কংগ্ৰেছ ছোছিয়েলিষ্ট" দল এটা গঠন কৰে। জয়প্ৰকাশ এইদলৰ প্ৰধান সম্পাদক তথা সংগঠক হয়। জয়প্ৰকাশৰ নেতৃত্বত কংগ্ৰেছ ছোছিয়েলিষ্টসকলে গান্ধীবাদৰ বিপৰীতে মাৰ্ক্স-বাদৰ সমৰ্থন কৰিছিল। তথাপি ভাৰতীয় কমিউনিষ্ট পাৰ্টিৰ আদৰ্শৰ লগত কংগ্ৰেছ ছোছি-য়েলিষ্টসকলৰ আদৰ্শগত মতৰ অমিল আছিল। তেওঁলোকে জাতীয় কংগ্ৰেছক বুৰ্জোৱা ৰাজনৈতিক দল বুলি গণ্য কৰিছিল আৰু তেওঁলোকৰ ধাৰণাত গান্ধীজী আছিল বুৰ্জোৱা নেতা। আনহাতে জয়-প্ৰকাশৰ নেতৃত্বৰ কংগ্ৰেছ ছোছিয়েলিষ্টসকলে ভাৰতীয় জাতীয় কংগ্ৰেছক সাম্ৰাজ্যবাদী বিৰোধী জাতীয় সংগঠন হিচাবে গ্ৰহণ কৰিছিল আৰু সমাজবাদী, মাৰ্ক্সবাদী তথা বামপন্থী সকলক কংগ্ৰেছৰ পতাকাৰ তলত সমাবেশ হোৱাটো বিচাৰিছিল।

১৯৩৫ চনত ইংৰাজ চৰকাৰে জাপি দিয়া ফেডাৰেল আঁচনিৰ জয়প্ৰকাশ দুৰ্ঘোৰ বিৰোধী আছিল। এই প্ৰতিক্ৰিয়াশীল আঁচনিখনৰ বিৰোধীতা কৰি সম্পূৰ্ণ স্বাধীনতাৰ কাৰণে গণ আন্দোলন গঢ়ি তোলাৰ তেওঁ পক্ষপাতী আছিল। এই আঁচনিৰ বিৰোধীতা কৰা আন এজন অন্যতম নেতা আছিল সুভাষ চন্দ্ৰ বসু। তেওঁ ভাৰতীয় জাতীয় কংগ্ৰেছৰ সভাপতিৰ কাৰণে কৰা প্ৰতিদ্বন্দ্বিতাত কংগ্ৰেছ ছোছিয়েলিষ্টসকলৰ সহায় বিচাৰিছিল। এই প্ৰতিদ্বন্দ্বিতাত সুভাষ বসুয়ে জয়লাভ কৰিছিল। কিন্তু কংগ্ৰেছৰ বিভিন্ন মহলত বিশেষকৈ গান্ধীজীৰ মনত এই নিৰ্বাচনে বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰাত তেওঁ সুভাষৰ নেতৃত্বৰ ওপৰত অনাস্থা প্ৰকাশ কৰিলে। ফলত কংগ্ৰেছৰ ভিতৰত ৰক্ষণশীল আৰু ৰেডিকেল বা প্ৰগতি পন্থীসকলৰ মাজত বিভেদৰ উপক্ৰম হ'ল। ৰক্ষণশীল মহলে সুভাষ বসুক কংগ্ৰেছৰপৰা বহিষ্কাৰ কৰিলে। তেতিয়া জয়প্ৰকাশ নাৰায়ণে মধ্যস্থতাকাৰীৰ ভূমিকা লৈ কংগ্ৰেছৰ এই বিবাদ উপশম কৰিবলৈ চেষ্টা চলাইছিল। কিন্তু সেইসময়তে ২য় মহাসমৰৰ দাবানল জ্বলি উঠাত তেওঁৰ এই চেষ্টা সফল হবলৈ নেপালে।

জয়প্ৰকাশ আছিল সাম্ৰাজ্যবাদী যুদ্ধৰ বিৰোধী। সেয়ে তেওঁ এই যুদ্ধত সহযোগ নকৰি গান্ধীজী আৰু কংগ্ৰেছৰ অন্যান্য নেতাসকলক বৃটিছৰ বিৰুদ্ধে গণ আন্দোলন তথা স্বাধীনতা সংগ্ৰাম চলাই যোৱাত জোৰ দিছিল। ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্ত ভ্ৰমণ কৰি তেওঁ যুদ্ধ বিৰোধী মনোভাৱ ভাৰতীয় মানুহৰ মাজত গঢ়ি তুলিবলৈ চেষ্টা কৰিছিল। কিন্তু এই সময়তে বৃটিছ চৰকাৰে তেওঁক গেপ্তাৰ কৰি হাজাৰিবাগ কাৰাগাৰত কাৰাৰুদ্ধ কৰি ৰাখিলে। অৱশ্যে তেওঁ সতীৰ্থ সকলৰ সতে অতি নাটকীয়ভাৱে হাজাৰিবাগ কাৰাগাৰৰপৰা পলায়ন কৰে আৰু ১৯৪২ চনৰ গান্ধীজীৰ নেতৃত্বত হোৱা "ভাৰত ত্যাগ" আন্দোলনত তেওঁ সতীৰ্থসকলৰ সতে গুপ্ত সংগঠনত জড়িত হৈ সশস্ত্ৰ সংগ্ৰামৰ মাধ্যমত স্বাধীনতা অৰ্জনৰ চেষ্টাত ব্ৰতী হয়। কিন্তু ইংৰাজ চৰকাৰে সেই গোপন ঘাটি আৱিষ্কাৰ কৰি জয়প্ৰকাশ আৰু লোহিয়াক বন্দী কৰিলে। ফলত লাহে লাহে অহিংস কিম্বা সশস্ত্ৰ ভাৱে চলোৱা আন্দোলনৰ সকলো প্ৰচেষ্টাই ব্যৰ্থ হ'ল। এই কাৰাবাসত থকা সময়ছোৱাতে জয়প্ৰকাশৰ চিন্তাধাৰাতো বিৰাট পৰিৱৰ্তনে দেখা দিয়ে আৰু কাৰাগাৰৰপৰা ওলাই আহিয়ে তেওঁ মাৰ্ক্সবাদ পৰিহাৰ কৰি গান্ধীবাদী দৰ্শন গ্ৰহণ কৰে।

স্বাধীনতাৰ পিচত কংগ্ৰেছৰ প্ৰতি মোহ ভঙ্গ হৈ সমাজবাদীসকল কংগ্ৰেছৰপৰা ওলাই অহাত জয়প্ৰকাশে সমাজবাদী দলটিৰ নেতৃত্ব বহন কৰি ইয়াক সৰ্বভাৰতীয় ৰূপত প্ৰতিষ্ঠিত কৰিব বিচাৰে। কিন্তু সাধাৰণ নিৰ্বাচনৰ ফলা ফলে জয়প্ৰকাশক সম্পূৰ্ণ নিৰাশ কৰিলে। সেয়ে তেওঁ ভোটৰ মাধ্যমত সমাজৰ মুক্তি বিচাৰৰ পৰিৱৰ্তে গান্ধীবাদৰ গঠনমূলক কাৰ্য্যসূচীৰ মাধ্যমত প্ৰকৃত সমাজ গঢ়ি তোলাৰ আদৰ্শত ব্ৰতী হয়। বিশেষকৈ তেওঁ আচাৰ্য্য বিনোবাভাৱেৰ লগত সৰ্বোদয় আন্দোলনত জড়িত হৈ সৰ্বোদয় আঁচনি কাৰ্য্যকৰী কৰাত লাগি পৰে। সেয়ে ১৯৫৪ চনত তেওঁ

সম্পূৰ্ণভাৱে সমাজবাদী আন্দোলনৰপৰা অৱসৰ লয়। লাহে লাহে ভূদান আন্দোলনৰ প্ৰতিও জয়প্ৰকাশৰ সংশয় আৰু সন্দেহ জাগ্ৰত হবলৈ ধৰে। তেওঁৰ মতে সৰ্বোদয় আন্দোলনে দেশৰ পূৰ্ণাঙ্গ উত্তৰ হব নোৱাৰে আৰু ইয়াৰ দ্বাৰাই নতুন সমাজ ব্যৱস্থা গঢ়ি তোলাও অসম্ভৱ। গতিকে এই আন্দোলনৰ প্ৰতিও তেওঁৰ মোহভঙ্গ হ'ল। মাৰ্ক্সবাদৰপৰা সৰ্বোদয়লৈ বিচৰণ কৰাৰ পাচত জয়প্ৰকাশ গণতান্ত্ৰিক আন্দোলনৰ নেতৃত্ব দিবলৈ ঘূৰি আহিল।

সামাজিক পৰিৱৰ্তনত সৰ্বোদয় আঁচনিৰ ব্যৰ্থতা আৰু দেশখনত গণতান্ত্ৰিক প্ৰমূল্যবোধৰ স্খলন দেখি ১৯৭১ ৰ পাচত জয়প্ৰকাশ বিশেষভাৱে চিন্তিত হৈ পৰিছিল। সেয়ে দেশত বাঢ়ি অহা দুৰ্নীতি, অন্যায় অনীতিবোৰ দূৰ কৰি এক সুস্থ আৰু নিকা প্ৰশাসন গঢ়ি তোলাৰ উদ্দেশ্যে তেওঁ ওলাই আহিল ভাৰতীয় জনতাৰ কাণ্ডাৰী-স্বৰূপে। সৰ্বাত্মক বিপ্লৱৰ সূচনা কৰি তেওঁ আহ্বান জনালে দেশৰ যুৱ-ছাত্ৰসকলক। গুজৰাট আৰু বিহাৰত ছাত্ৰ আন্দোলন আৰম্ভ হ'ল। ক্ৰমে এই আন্দোলনে বিস্তৃতি লাভ কৰাত তদানীন্তন প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীৰ সিংহাসন কঁপি উঠিল। ১৯৭৫ ৰ ২৫ জুনৰ দিনা প্ৰধান মন্ত্ৰীয়ে ঘোষণা কৰিলে কুখ্যাত জৰুৰীকালীন অৱস্থা। ভাৰতীয় গণতন্ত্ৰৰ বুকুলৈ নামি আহিছিল অন্ধকাৰ যুগৰ বিভিষীকা।

এনে এক কালসন্ধিক্ষণত ভাৰতীয় গণতন্ত্ৰৰ পৰিত্ৰাতাৰূপে জয়প্ৰকাশে যি ঐতিহাসিক ভূমিকা ললে সি চিৰস্মৰণীয় হৈ থাকিব। ১৯৭৭ চনৰ মাৰ্চ মাহত লোকসভাৰ নিৰ্বাচন অনুষ্ঠিত কৰাৰ কথা ঘোষণা কৰাত জয়প্ৰকাশে কংগ্ৰেছৰ স্বেচ্ছাচাৰী ক্ষমতা নিৰ্মূল কৰাৰ এটা সুযোগ পালে। তেওঁ দেখিলে যে বিৰোধী দলবোৰ এক হৈ যুঁজিলে কংগ্ৰেছক নিশ্চয় ক্ষমতাচ্যুত কৰিব পাৰিব। জয়প্ৰকাশৰ চেষ্টা আৰু মধ্যস্থতাতেই গঠন হ'ল এটা শক্তিশালী বিৰোধী দল—"জনতা দলৰ।" ভাৰতীয় জন-গণৰ উপযুক্ত সঁহাৰি পাই এইদলে নিৰ্বাচনত অভূতপূৰ্ব জয় লাভ কৰি স্বেচ্ছাচাৰী কংগ্ৰেছী চৰকাৰক গাদীচ্যুত কৰি পোনপ্ৰথম বাৰৰ কাৰণে কেন্দ্ৰত প্ৰতিষ্ঠিত কৰিলে এখন অকংগ্ৰেছী চৰকাৰ। তেওঁৰ সুদীৰ্ঘ ৰাজনৈতিক জীৱনৰ এয়েই বোধকৰো আছিল সফলতম মুহূৰ্ত।

জয়প্ৰকাশৰ চেষ্টাৰ ফলস্বৰূপে কেন্দ্ৰত জনতা চৰকাৰ প্ৰতিষ্ঠিত হ'ল। অৱশ্যে এই চৰকাৰৰ সাফল্য আৰু স্থায়িত্ব পৰৱৰ্তী ঘটনা প্ৰৱাহ তথা শাসনৰ বাঘজৰী হাতত লোৱা নেতাসকলৰ ঐকান্তিকতাৰ ওপৰত নিৰ্ভৰ কৰিব। কিন্তু তেওঁৰ জীৱনৰ মিছন ইয়াতে অন্ত পৰা নাছিল। তেওঁৰ জীৱনৰ লক্ষ্য আছিল মানুহক প্ৰকৃত মানুহৰ আসনত বহুৱাবৰ কাৰণে—"ন্যায়, নীতি, সমতা আৰু গণতন্ত্ৰৰ" ভিত্তিত এখন সমাজ ৰচনা কৰা। এই লক্ষ্যাত উপনীত হবৰ কাৰণেই সময়ৰ গতিৰ লগে লগে তেওঁ নিজ চিন্তা দৰ্শনৰো পৰিৱৰ্তন কৰি এটা এটাকৈ পৰীক্ষা চলাই গৈছিল বিভিন্ন--দৰ্শনৰ গান্ধীবাদ, মাৰ্ক্সবাদ, লেনিনবাদ, সমাজবাদ, সৰ্বোদয় তথা ভূদানৰ ওপৰত। কিন্তু তেওঁৰ আকাঙ্খিত সমাজ পৰিৱৰ্তনৰ বাহক কোনো এটাই উপযুক্ত বুলি বিবেচিত নহৈছিল। জীৱনৰ

বিয়লি বেলিকা তেওঁ সৰ্বাত্মক বিপ্লৱৰ ( Total Revolution ) জৰিয়তে সম্পূৰ্ণ ক্ৰান্তি অনাৰ সপোন দেখিছিল আৰু সমাজ নৱ নিৰ্মাণৰ সমস্ত আহিলাৰ সন্ধান গান্ধীদৰ্শনৰ মাজতেই পাইছিল। গান্ধীৰ কল্পিত সমাজ ৰাজনীতি আৰু ৰাজশক্তিৰ মাধ্যমেৰে গঠন কৰা অসম্ভৱ। ই সম্ভৱ লোক শক্তিৰ জৰিয়তেহে। এই কাৰণে গান্ধীজীয়ে কোনো দিন ৰাষ্ট্ৰ ক্ষমতাৰ প্ৰতি লালায়িত হোৱা নাছিল। গান্ধীজীয়ে বিচাৰিছিল যথাৰ্থ গণতন্ত্ৰ আৰু এই গণতন্ত্ৰক ৰক্ষা কৰিবৰ কাৰণে তেওঁ জনসাধাৰণৰ মাজত থাকি তেওঁলোকক নিজৰ অধিকাৰ সম্বন্ধে সচেতন কৰিব বিচাৰিছিল। গান্ধী—ঐতিহ্যৰ প্ৰকৃত উত্তৰাধিকাৰী জয়প্ৰকাশ নাৰায়ণেও লোকনীতি আৰু লোক শক্তিৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল আৰু সমাজ ব্যৱস্থাৰ আমূল পৰিবৰ্তনৰ কাৰণে জন শক্তিক সংগঠিত কৰি সৰ্বব্যাপী আন্দোলনৰ প্ৰয়োজনীয়তা উপলব্ধি কৰিছিল। সেই কাৰণে তেওঁ কেতিয়াও ৰাষ্ট্ৰ ক্ষমতা গ্ৰহণৰ সুযোগ প্ৰত্যাখ্যান কৰিবলৈ কুণ্ঠাবোধ কৰা নাছিল। '৭৭'ৰ নিৰ্বাচনৰ পাচতো জনতা চৰকাৰক প্ৰতিষ্ঠিত কৰি তেওঁ ঘূৰি গৈছিল দেশৰ জনসাধাৰণৰ ওচৰলৈ আৰু সৰ্বাত্মক বিপ্লৱৰ অসম্পূৰ্ণ কাৰ্য্য সমাপ্ত কৰিবলৈ আহ্বান জনাইছিল। কিন্তু দুৰ্ভাগ্যৰ বিষয়, সৰ্বাত্মক বিপ্লৱৰ কাৰ্য্যসূচী বাস্তৱত ৰূপায়িত হবলৈ নৌ-পাওঁতেই তেওঁক নিষ্ঠুৰ কালে '৭৯ চনৰ ৮ অক্টোবৰৰ দিনা নিচেই প্ৰত্যুষতে আমাৰ মাজৰ পৰা চিৰদিনৰ বাবে আঁতৰাই নিলে।

লোকনায়ক আজি প্ৰয়াত। কিন্তু আমাৰ মাজত আছে তেওঁ সমাপণ কৰি যোৱা কৰ্মবাজি আৰু সংগ্ৰামী জীৱনৰ এক দীঘলীয়া ইতিহাস। যি আদৰ্শ আৰু কৰ্মপ্ৰেৰণা লৈ তেওঁ আগবাঢ়িছিল সেই আদৰ্শ আৰু নীতিৰ সফল ৰূপায়ণ কৰিব পাৰিলেহে তেওঁৰ প্ৰতি আমাৰ প্ৰকৃত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হব। এই জনা মহান ব্যক্তিৰ মহাপ্ৰয়াণত আমি হিয়াভৰা অশ্ৰু অঞ্জলি যাঁচিলো।

— x —

প্ৰবন্ধ

# 'যুদ্ধোত্তৰ অসমীয়া কবিতাৰ ধাৰা'

যুদ্ধোত্তৰ অসমীয়া কাব্য সাহিত্যৰ ধাৰা আলোচনা কৰিবলৈ হ'লে দ্বিতীয় মহাসমৰ অৰ্থাৎ ১৯৪২ চনৰ পিছৰ কবিসকল প্ৰধানতঃ বিচাৰ সাপেক্ষ। এই সময়ছোৱাক সচৰাচৰ আধুনিক যুগ বুলি কোৱা হয়। এই যুগৰ কবিতাৰ ভাৱাদৰ্শ শ্ৰেণীগতভাৱে দুটা ভাগত ভগাব পাৰি,— এটা ৰোমাণ্টিক ধৰ্মী বা আধ্যাত্মিকতা, অতীন্দ্ৰিয়-বাদ আৰু স্বদেশ প্ৰীতিৰ প্ৰকাশক আৰু আনটো গতানুগতিক ছন্দৰীতি বা সাংগীতিক ব্যঞ্জনাৰ বাহক।

প্ৰাণেশ্বৰ ৰয়
প্ৰথম বাৰ্ষিক স্নাতক

অসমীয়া সাহিত্যত ৰোমাণ্টিক যুগ আৰম্ভ হয় ১৮৮৯ খৃষ্টাব্দ অৰ্থাৎ 'জোনাকী' কাকত ওলোৱাৰপৰা। ৰমন্যাস বা ৰোমাণ্টিক যুগৰ পৰাহে আধুনিক অসমীয়া কবিতাই উৎকৰ্ষতা লাভ কৰিছে। ইংৰাজ ৰোমাণ্টিক কবি ৱাৰ্ডছৱৰ্থ, ক'লেৰিজ, বাইৰণ, ছেলী, কীটছ্ আদিৰ ভাৱাদৰ্শেৰে অসমীয়া ৰোমাণ্টিক সাহিত্যৰ ভাবধাৰা উদ্বুদ্ধ হয়। সেই যুগৰ কবিসকলৰ কাব্যৰ মাই উপাদান আছিল প্ৰকৃতি-প্ৰীতি, সুন্দৰৰ লগত বিস্ময়ৰ সংযোগ, প্ৰেম আৰু সৌন্দৰ্য্যৰ আৰাধনা, অলৌকিকতাবাদ, মানসী প্ৰিয়াৰ ৰূপ বৰ্ণনা, প্ৰকৃতিত প্ৰিয়াৰ ৰূপ দৰ্শন, বাস্তৱ বিমুখতা, কল্পলোকৰ সহায়ত আত্মমুক্তিৰ প্ৰচেষ্টা; পুৰণি আবৰ্জনা গুচাই শৃঙ্খলা পূৰ্ণ নতুনত্ব সৃষ্টি, কাহিনী গীত ( literary Ballad ) ৰচনাৰ প্ৰচেষ্টা আৰু নতুন ছন্দ পৰীক্ষা।

জোনাকী যুগৰ ৰোমাণ্টিক সাহিত্যৰ লগত যুদ্ধোত্তৰ সাহিত্যৰ ভালেখিনি পাৰ্থক্য লক্ষণীয়। আদৰ্শ, দৃষ্টিভঙ্গী, আৰু প্ৰকাশ কৌশলৰ ( technique ) ক্ষেত্ৰত এই পাৰ্থক্য পৰিস্ফুট হৈছে। ধৰ্ম আৰু আধ্যাত্মিকতাৰ প্ৰভাৱ ক্ৰমে হ্ৰাস পাই আহিছে। বস্তুবাদী চিন্তাই নতুন লেখক শ্ৰেণীক

আকৃষ্ট কৰাৰ ফলত প্ৰাচীন গতানুগতিক সামাজিক আৰু সাম্প্ৰদায়িক বন্ধনৰ বিৰুদ্ধে নতুন শ্ৰেণীৰ লেখকে বিদ্ৰোহ ঘোষণা কৰা দেখা গৈছে। ব্যক্তিগত মুক্তি, সামাজিক মুক্তি আৰু অৰ্থনৈতিক মুক্তিৰ যোগেদি নিজৰ আৰু মানৱ সমাজৰ উন্নতি কামনা কৰে এওঁলোকে। এই শ্ৰেণী লেখকৰ ৰচনাত মাৰ্ক্সবাদৰ প্ৰভাৱ সততে চকুত পৰে। ইয়াৰ উপৰিও ফ্ৰয়েডৰ বিশ্লেষণ প্ৰণালী বা যৌন দশনেও বহুতো লেখকক প্ৰভাবান্বিত কৰিছে। ৰোমাণ্টিক ভাৱাদৰ্শ আৰু সৰল বৰ্ণনাৰ ঠাইত বাস্তৱবাদ আৰু বুদ্ধিদীপ্ত বিশ্লেষণে ঠাই পাইছে। অসমীয়া সাহিত্যত ৰোমাণ্টিক কবিসকলে মানুহৰ মাজত থকা নানান ভেদাভেদ, অন্যায়, বৈষম্য আদিক কেন্দ্ৰ কৰি কাব্য চৰ্চা কৰিছিল যদিও তেওঁলোকৰ উদ্দেশ্য আৰু লক্ষ্য পৰিষ্কাৰ নাছিল। তেওঁলোক মানৱ প্ৰেমী আছিল সঁচা, কিন্তু বাস্তৱ জীৱনৰ ঢাৰু আঘাতৰপৰা মানুহক, সমাজক উদ্ধাৰ কৰি নতুন পথ দেখুওৱাৰ সাহস তেওঁলোকৰ নাছিল। সমাজৰ সকলো কলুষতা, পঙ্কিলতা দেখিও এইসকল কবি নীৰৱ দৰ্শক হৈ আছিল। এনে এক সৰ্বগ্ৰাসী চিন্তাৰ বিৰুদ্ধে সেইসময়ত ভবানন্দ দত্ত, অমূল্য বৰুৱা, চন্দ্ৰেশ্বৰ ভট্টাচাৰ্য্য আৰু ধীৰেণ দত্তৰ হাতত যুদ্ধোত্তৰ যুগৰ প্ৰগতিশীল কবিতা গা-কৰি উঠে, যাৰ ফলত ৰোমাণ্টিক কবি আৰু আধুনিক প্ৰগতিশীল কবিসকলৰ কবিতত্তা কিছু পাৰ্থক্য লক্ষ্য কৰিব পাৰি।

যুদ্ধোত্তৰ কবিতাৰ অধিক শক্তিশালী ধাৰাটো আৰম্ভ হয় এই শতাব্দীৰ পঞ্চম দশকৰ পৰাহে। এই ধাৰাটোক বৰ্ত্তমান যুগৰ কাব্য প্ৰবাহৰ প্ৰধান সুঁতি বুলিব পাৰি। এই প্ৰবাহৰ কবিতাৰ বিষয়-বস্তু, শব্দচয়ন, ৰচনাৰীতি, ছন্দ প্ৰয়োগ, মানসচিত্ৰ (Imagery) ৰচনা, ভাৱাদৰ্শ আৰু প্ৰকাশ ভঙ্গীৰ ক্ষেত্ৰত এই শ্ৰেণীৰ কবিসকল সম্পূৰ্ণ বেলেগ। এওঁলোকৰ কবিতাক আকৌ দুটা উপ শাখাত ভাগ কৰিব পাৰি। প্ৰথম উপশাখাৰ দুই এজন কবিৰ কবিতাত দ্বন্দ্বাত্মক বস্তুবাদৰ আভাস পোৱা যায়। বৰ্ত্তমান সমাজ ব্যৱস্থাৰ বিৰুদ্ধে সংগ্ৰাম কৰি শ্ৰেণীহীন সমাজ গঢ়াৰ সপোন এওঁলোকৰ লেখাৰ উপজীৱ্য। আনটো উপশাখাই বস্তুবাদৰ বিশ্বাসী হৈও ব্যক্তি সত্তাৰ স্বাধীনতা লুপ্ত কৰিব নোখোজে। বৰ্তমান বিজ্ঞানৰ যুগত প্ৰত্যেক মানুহৰে অন্তৰত প্ৰশ্ন, সমস্যা, দ্বিধা, সন্দেহ, যুক্তি উদয় হোৱাটো স্বাভাৱিক। বিভিন্ন সমস্যাৰে জৰ্জৰিত - এই যুগটোক প্ৰতিফলিত কৰিবলৈ আধুনিক কবিসকলে কেৱল ফুল, তৰা, গানৰ মাজতে আবদ্ধ নাথাকি বাস্তৱ জগতৰ সম্ভাব্য সকলো বস্তুৰেপৰা কাব্যৰ উপাদান সংগ্ৰহ কৰে। সেই বাবেই যুদ্ধোত্তৰ যুগৰ অসমীয়া কবিতাত চহৰৰ লেতেৰা গলিৰ বেশ্যাৰপৰা আৰম্ভ কৰি কাউৰী, কুকুৰ ইত্যাদি সকলোৰে স্থান দেখা যায়। এওঁলোকৰ সৰহ ভাগে ইংৰাজী শিক্ষাৰে শিক্ষিত। সেই কাৰণে ইলিয়ট, ও'ডেন, স্পেণ্ডাৰ, মায়াক ভস্কি, বোদলেয়াৰ আদি বুদ্ধিনিষ্ঠ পাশ্চাত্য কবিসকলৰ প্ৰভাৱ এই নতুন কবিসকলৰ ওপৰত পৰিছে। তদুপৰি বঙ্গদেশীয় কবি জীৱনানন্দ দাস, বুদ্ধদেৱ বসু, সুকান্ত ভট্টাচাৰ্য্য, বিষ্ণু দে আদি কবিসকলৰ দ্বাৰাও এওঁলোক অনুপ্ৰাণিত।

যুদ্ধোত্তৰ যুগৰ এই শ্ৰেণী কবিতাৰ নাম ৰখা

হৈছে, 'সাম্প্রতিক প্রগতিশীল কবিতা'। এই শ্রেণী কাব্যৰ জন্ম হয় 'জয়ন্তী যুগত' ( ১৯৪৩ ) অর্থাৎ দ্বিতীয় মহাযুদ্ধৰ সময়ত। এই প্রসঙ্গত ভবানন্দ দত্ত, অমূল্য বৰুৱা, চক্রেশ্বৰ ভট্টাচার্য্য আৰু ধীৰেণ দত্তৰ নাম উল্লেখ কৰিব পাৰি।

দত্তই 'নচিকেতা' ছদ্মনাম লৈ 'জয়ন্তী' নামৰ আলোচনীখনত লিখা কবিতাবোৰে দ্বিতীয় মহাসমৰে এৰি থৈ যোজা বীভৎসতা, স্বাধীনতা আন্দোলনৰ জোঁৱাৰ আৰু শোষক শ্রেণীৰ প্রতি এক তীব্র ঘৃণা প্রকাশ কৰিছে। যথা :—

'বিচিত্র তোমাৰ লীলা,
দুকাষৰ তোমাৰ দালানৰ শাৰী,
পাঁচ তলাৰ ওপৰত শুনা যায় ৰেডিঅ'ৰ গান,
অর্গেনত ৰবীন্দ্র সঙ্গীত ;
ডবল তলিচা পৰা মেহগনি পালেঙত
বিৰহ কাতৰা কলেজ গার্লৰ
অলসায়িত দেহা।
আৰু তাৰ তলতেই ফুট পাথত
( ধন্য তোমাৰ দয়া )
শূন্য ভিক্ষা পাত্রলৈ শুই পৰা
মৃত প্রায় কংকালৰ শাৰী
গৃহহীন যিসকল,
ভগ্নপ্রায় সমাজত দস্যুতাৰ ছাই পোণ্ট যেন
অর্থহীন অধিকাৰহীন
বঞ্চিতাৰ বাচিবৰ বাঞ্ছা
তোমাৰ কোলাত পায় যিয়ে নিঃশ্রেয়স মোক্ষ।"
( ৰাজপথ )

অমূল্য বৰুৱাৰ 'বিপ্লৱী', 'কুকুৰ', 'কয়লা', 'বেশ্যা', আদি কবিতাত এহাতে সমাজৰ জঘনা দিশ আৰু আনহাতে কামনা প্রকট হৈ উঠিছে। তেওঁৰ কবিতা সংকলন 'অচিনা' ( ১৯৬৪ ) ত সমাজ সচেতনতা আৰু বিপ্লৱী মনৰ পৰিচয় পোৱা যায়। চক্রেশ্বৰ ভট্টাচার্য্যৰ কবিতা সমূহত সমাজৰ অন্যায় অবিচাৰ আৰু শোষকৰ প্রতি এক তীব্র ঘৃণা প্রকাশ পাইছে।

'এদিন নেকি প্রজাপতিয়ে দেৱতা আৰু অসুৰক মাতি আনি এইদৰে নির্দেশ দিছিল দাম্যত, দত্ত, দয়ধ্বম।
দ-দ-দ দমন কৰা, দানকৰা, দয়া কৰা, কিন্তু আজি পর্য্যন্ত আমাৰ সেই আদিম পশুটো কিমান দমন হ'ল ?'

হেম বৰুৱাৰ কবিতাত বিভিন্ন ভাৱৰ ৰেঙনি দেখা যায়। নৱকান্ত বৰুৱাই 'হে অৰণ্য হে মহানগৰ' ( ১৯৫৪ ) ত বর্ত্তমান সমাজৰ কলুষতা আৰু পঙ্কিলতা দেখি আধ্যাত্মিকতাত অশ্রয় লোৱাৰ ইঙ্গিত দিছে। তেখেতৰ 'এটি দুটি এঘাৰটি তৰা' আৰু 'ছবি আৰু স্কেচ' দুখন কবিতা চয়ন।

আন এজন প্রগতিশীল কবি হ'ল নীলমণি ফুকন। তেওঁৰ 'নির্জনতাৰ শব্দ' 'সূর্য্য হেনো নামি আহে এই নদীয়েদি', আৰু "ফুলি থকা সূর্য্যমুখী ফুলটোৰ ফালে' কবিতা সংগ্রহ তিনিখনত সাংগীতিক ব্যঞ্জনাৰ সলনি চিত্র ধর্মিতাই অধিকতৰ গুৰুত্ব লাভ কৰাৰ লগে লগে অসমীয়া আধুনিক কবিতাৰ প্রকাশ ভঙ্গী তথা কাব্যাদর্শৰ এক পৰিৱর্তন সূচিত হৈছে। এওঁৰ কবিতাত জীৱনৰ দুখ যন্ত্রনাৰ প্রকাশ নাই, আছে মাথোঁ ইয়াৰ মাদকতা উপলব্ধি কৰিব পৰা সংবেদনশীল মনৰ পৰিচয়।

ভগৱত উনুকিয়াই অহা প্ৰথম দলটোৱে পংগ ধনতান্ত্ৰিক সমাজ ব্যৱস্থাৰ আমূল পৰিবৰ্তন ঘটাই তাৰ ঠাইত নতুন সুস্থ সবল শ্ৰেণীহীন সমাজ গঢ়িবলৈ বিচাৰে। এওঁলোক আশাবাদী। এওঁলোকে শস্য শ্যামলা পৃথিৱীত উজ্জ্বল সম্ভাৱনাৰ সপোন সাজে।

(১) আমাৰ বলিষ্ঠ আশাবাদী মন। ভবিষ্যৰ স্বপ্ন
সমুজ্জ্বল।
কুমাৰী পৃথিৱী; তুমি কুন্তী। (হেম বৰুৱা ঃ
বিহুৰ দিনৰ গান)

(২) বিষ্ণু ৰাভা সৌৰা ঘূৰণীয়া ৰেলি,
ৰঙা মুখ ফুটে সঁচা আবেগত,
মুক্তিৰ কঁপনি।
শেষ নিশা সেয়া অখ্যাত জনৰ সমদল সমাগত
সমস্বৰে ফুটে, 'পোহৰ'! পোহৰ'!!
জীৱনৰ জয় ধ্বনি॥ (বীৰেন্দ্ৰ কুমাৰ
ভট্টাচাৰ্য ঃ বিষ্ণুৰাভা এখিয়া
কিমান ৰাতি)

(৩) (বৌদেউ,
আপুনি যে কৈছিল সেউতীৰ কথা।
মোৰ কথা সেউতীক কৈছিলে জানো?)
(কেশৱ মহন্ত ঃ আঘোণৰ কুঁৱলী)

(৪) সেউজীয়া প্ৰাণৰ পথাৰ সোণালী ৰূপালী হয়।
বাকৰিত সোণ গুটি লাগে নতুন আৰু নতুন
হে পথাৰ—হে সৃষ্টি সম্ভৱা বিপুল পথাৰ,
তোমাক নমস্কাৰ। (ৰাম গগৈ ঃ পথাৰ)

হেম বৰুৱা, বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য, কেশৱ মহন্ত, হেমাংগ বিশ্বাস, চৈয়দ আব্দুল মালিক, ৰাম গগৈ আদি কেইজনমান কবিক এই শ্ৰেণীত পেলাব পাৰি।

দ্বিতীয় দলৰ ভিতৰত নৱকান্ত বৰুৱা, প্ৰফুল্ল ভূঞা, হৰি বৰকাকতি, অজিত বৰুৱা, নলিনীধৰ ভট্টাচাৰ্য্য, দীনেশ গোস্বামী, নীলমণি ফুকন, সুশীল শৰ্মা, হীৰেণ ভট্টাচাৰ্য, নিৰ্মলপ্ৰভা বৰদলৈ আদি কবিসকলৰ ৰচনাত ব্যক্তি সত্তাৰ স্বতন্ত্ৰ প্ৰকাশ ঘটিছে। এওঁলোকে জনসাধাৰণৰ আশা আকাংক্ষা উলাই নকৰে। নৱকান্ত বৰুৱাৰ কবিতাৰ বিষয়-বস্তু হ'ল জীৱন দৰ্শন। হৰি বৰকাকতিৰ কবিতাত নিৰ্জনতাৰ প্ৰতীক বৰ্ণনা বহুল শব্দ ব্যঞ্জনাৰে যৌন-কামনা, মৃত্যুৰ আকাংক্ষা প্ৰকাশ পাইছে।

বুদ্ধিমত্তা আৰু প্ৰতীক ধৰ্মিতা সাম্প্ৰতিক কবিতাৰ প্ৰধান বৈশিষ্ট্য। 'সাপ,' 'যাদুঘৰ,' 'এপিটাফ,' 'কপৌ আৰু শগুন,' 'এটোম বোমা,' আদি প্ৰতীক-ধৰ্মী কবিতা। ইয়াৰ উপৰি কিছুমান কবিতাত মানৱ চিত্ৰ প্ৰকাশ পাইছে। যেনে, কমৰেড ঃ শংকা কিহৰ।

১। প্ৰথম নিশাৰ অপৰিচিতা পত্নীৰ দৰে থৰে
থৰে পৃথিৱী কঁপিছে। উস্ ইমান জাৰ!
(হেম বৰুৱা)

২। লাইলাক্ আৰু জিনিয়াৰ পাহিবোৰ
এচ্‌কিমো ছোৱালীৰ কোমল বুকুৰ নোমাল
কাঁচলিৰ দৰে। (নৱকান্ত বৰুৱা)

৩। তুমি মোৰ আকাশত জ্বলি আছা
আন্ধাৰত জ্বলা লেম্প প'ষ্টটোৰ দৰে।
(দীনেশ গোস্বামী)

৪। ..... পূৰ্ণিমা ৰাতিৰ ঘূৰণীয়া জোন
ঠিক যেন এইমাত্ৰ বাথৰুমৰপৰা ওলাই অহা
ছোৱালীজনী। (মহেন্দ্ৰ বৰা)।

গীতি ধৰ্মিতাৰ লগতে সমাজ সচেতনতা হীৰেণ ভট্টাচাৰ্যৰ কবিতাৰ বিষয়বস্তু। যেনে,—

"অন্তদিনে মই
নিজক লৈয়ে ব্যস্ত আছিলোঁ আই
আজি তোমাক পালোঁ
তীখাৰ তীক্ষ্ণতা আৰু থোৰ মেলা
শস্যৰ মাজত।" ( আই )

"মোৰ নিয়াৰিৰ
কাঁচিখনলৈ এবাৰ চালেই
বুজিব পাৰিবা—কাৰ ডিঙিৰ ফোঁখেৰে গঢ়িছোঁ"
( আত্মপক্ষ )

ৰবীন্দ্ৰ সৰকাৰৰ 'বৃত্তভঙাৰ সময়' কবিতা সংকলন সমাজৰ তীক্ষ্ণ চেতনা আৰু শোষকৰ প্ৰতি ঘৃণাৰ ভাৱ প্ৰকাশক। তেখেতৰ কবিতা বিলাকৰ ভিতৰত "জাৰৰ ৰাতিৰ মানুহজন" কবিতাটিত মানুহক প্ৰতীক হিচাবে ব্যৱহাৰ কৰি শ্ৰেণী সংগ্ৰাম আৰু বিদ্ৰোহৰ ভাৱাদৰ্শ প্ৰকাশ কৰিছে।

"জাৰৰ ৰাতিৰ/মানুহজন কঁপিছিল/কঁপিছিল সত্তৰৰ ভাৰতবৰ্ষ উনাশীটা/গৰম কামিজৰ স্বপ্নদেখা/ ক্ষুধাৰ্ত মানুহজন জাৰত কঁপিছিল যন্ত্ৰণাত ক্ষোভত খঙত/কাৰোবাৰ উদ্দেশ্যে

চিঞৰি চিঞৰি কৈছিল তোমালোকৰ পিঠিৰ ছালবাইদি মোৰ বাবে এটা কামিজ চিলোৱা হ'ব।
জাৰৰ ৰাতিৰ মানুহজনে ৰ' লাগি চাই ৰ'ল হেজাৰ বিজাৰ কণ্ঠত এটা গৰম কামিজ। গৰম কামিজৰ উষ্ণ প্ৰতিশ্ৰুতি।"

মহিলা কবি নিৰ্মলপ্ৰভা বৰদলৈৰ কবিতাত প্ৰকাশ ভংগীৰ নিপুণ-সাৰল্য আৰু স্বচ্ছতা সুন্দৰ ভাৱে ফুটি উঠিছে। অৱশ্যে তেওঁক গীতি ধৰ্মী কবি বুলি আখ্যা দিব পাৰি। তেওঁৰ কিছুমান কবিতাত সংবেদনশীল সমাজ সচেতন মনৰ পৰিচয় আছে।

যিয়েই নহওঁক, যুদ্ধোত্তৰ যুগৰ কবিসকলৰ কবিতা সমূহ বুজিবলৈ পাঠকৰ কাৰণে বিস্তৃত জ্ঞান, বুদ্ধি আৰু বৰ্ত্তমান জগতৰ সকলো খবৰ ৰখা দৰ্কাৰ। এওঁলোকৰ কবিতাৰ প্ৰকাশ ভঙ্গীৰ ক্ষেত্ৰত পুৰণি উপমা, অলঙ্কাৰৰ ঠাইত নতুন উপমা, প্ৰতীক, মানস চিত্ৰ আদিৰ প্ৰয়োগ ঘটিছে। ছন্দৰ ক্ষেত্ৰতো পুৰণি আখৰৰ পৰ্ব, চৰণ, যতি-স্থাপন আদিৰ পৰিৱৰ্তে মুক্তক ছন্দ আৰু স্পন্দিত গদ্যৰ প্ৰচলন হ'ল। সৰহভাগ কবিতা এতিয়াও আলোচনী পাততেই ৰৈ আছে।

সাম্প্ৰতিক কালত কেইজনমান কবিয়ে স্বৰচিত কবিতাৰ উপৰিও ৰুচ, জাপান, চীন, পাৰস্য আদি বিভিন্ন দেশৰ বহুতো কবিতা অসমীয়া ভাষাত অনুবাদ কৰিছে। এই সকলৰ ভিতৰত পৰেশ মল্ল বৰুৱাই ৫২ জন ৰাচিয়ান কবিৰ মুঠ ১৭০ টা কবিতা প্ৰাঞ্জল ভাষাত অনুবাদ কৰি 'কুৰি শতিকাৰ ছোভিয়েট কবিতা' ( ১৯৮০ চন ) নাম দি এখন কবিতা সংকলন উলিয়াইছে। সাম্প্ৰতিক অসমীয়া কবিতাৰ এতিয়াও কিশোৰ অৱস্থা; তথাপি দুই এজন ন-লেখক লেখিকাৰ মৌলিক ধৰণৰ কবিতা প্ৰকাশ পাই আছে। বৰ্ত্তমানৰ ধাৰাটো লক্ষ্য কৰিলে এটা উজ্জ্বল ভৱিষ্যত কামনা কৰিব পাৰি। ×

প্ৰবন্ধটি যুগুত কৰোতে, সহায় লোৱা গ্ৰন্থ সমূহ ঃ
(১) অসমীয়া সাহিত্যৰ ইতিবৃত্ত ঃ ডঃ সত্যেন্দ্ৰ নাথ শৰ্মা ।
(২) অসমীয়া সাহিত্যৰ ৰূপৰেখা ঃ ডঃ মহেশ্বৰ নেওগ ।
(৩) অসমীয়া সাহিত্যৰ দৃষ্টিপাত ঃ শ্ৰীহেমন্ত কুমাৰ শৰ্মা ।
(৪) সাহিত্যৰ গতিপথ ঃ তাৰিণী কান্ত ভট্টাচাৰ্য ।
(৫ অসমীয়া প্ৰগতিশীল কবিতাৰ ঐতিহ্য ঃ ( 'নতুন পৃথিৱী'ত প্ৰকাশিত দেবেন তামুলীৰ প্ৰবন্ধ ) আৰু অন্যান্য বহুতো পত্ৰিকা ।

প্ৰবন্ধ

# ....মৰুভূমি, তুমি সৰ্বগ্ৰাসী....

ত্ৰৈলোক্য দাস

মৰুভূমি । নামটো শুনিলেই সূৰ্য্যৰ ৰশ্মিত তিৰবিৰাই উঠা তৰু-তৃণ হীন উত্তপ্ত বালুকা-ৰাশিৰ একো একোখন বিশাল সাগৰৰ কথা মনৰ মাজত ভাঁহি উঠে । কিন্তু, আজি এই মৰুভূমিৰ সৰ্বগ্ৰাসীতাৰপৰা হাত সাৰিবলৈ সাৱধান হবৰ হ'ল । কাৰণ পৃথিৱীৰ এই উত্তপ্ত বালিময় মৰুভূমিবোৰ চাৰিওফালে প্ৰসাৰিত হৈছে । চাহাৰা মৰুভূমি প্ৰতিবছৰে দক্ষিণলৈ ঠায়ে ঠায়ে প্ৰায় ৫০ কিলোমিটাৰকৈ প্ৰসাৰিত হৈছে আৰু যোৱা অৰ্দ্ধশতিকাৰপৰা আজিলৈ ই প্ৰায় ৬৫০,০০০ বৰ্গ কিলোমিটাৰ খেতিৰ উপযোগী পলসুৱা মাটি গ্ৰাস কৰি পেলাইছে । আমাৰ ভাৰতবৰ্ষৰ থৰ মৰুভূমিলৈ চালেও প্ৰায় তদ্ৰুপ অৱস্থাই দেখা যায় । ভাৰতবৰ্ষৰ এক পঞ্চমাংশৰো বেছি সাৰুৱা ঠাই থৰ মৰুভূমিয়ে গ্ৰাস কৰিছে । ঠিক সেই-দৰে ইং ১৯৬০ চনৰপৰা আটাকামা মৰুভূমিয়ে চিলিৰ উত্তৰ অংশৰ শ শ মাইল গ্ৰাস কৰি পেলাইছে । মৰুভূমিৰ এই প্ৰসাৰতাৰ কাৰণে আজি পশ্চিম এচিয়া, ইৰাণ, আৰ্জেন্টিনা, দক্ষিণ আফ্ৰিকা, চাইবেৰিয়াৰ অংশ বিশেষ, চীন

আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ অৱস্থা ভয়াবহ হৈ পৰিছে।

পৃথিৱীৰ কোনো ঠাইতে মৰুভূমি সঙ্কুচিত হোৱা নাই; বৰং দিনে দিনে ইয়াৰ সম্প্ৰসাৰণহে ঘটি আছে। ফলত, বহু অঞ্চলত মানৱ জীৱনৰ ভৱিষ্যত নিৰাপত্তাও অন্ধকাৰময় হৈ পৰিছে। মৰুভূমি, শুকান আৰু মৰুপ্ৰায় অঞ্চলে (যিবিলাক ঠাইৰ বছৰেকীয়া বৰষুণৰ পৰিমাণ ৩৫০ মিলি-মিটাৰতকৈ কম) বৰ্তমান পৃথিৱীৰ উপৰিভাগৰ শতকৰা ৪৩ অংশ ঠাই আগুৰি আছে।

এই মৰুময় অঞ্চলৰ বেছিভাগেই একসময়ত সাৰুৱা মাটি আছিল। প্ৰায় ছয় শতাব্দী জুৰি উত্তৰ আফ্ৰিকা আছিল ৰোমান সাম্ৰাজ্যৰ শস্য ভঁৰাল। ঠিক সেইদৰে চাহাৰাৰ উত্তপ্ত বলুকা ৰাশিৰ তলত পোৱা গৈছে বহুতো মহা নগৰীৰ ধ্বংসাৱশেষ। বৰ্তমান মেছোপটেমিয়াৰ মৰুপ্ৰায় ধ্বংসাৱশেষৰ মাজতো একসময়ত ৪০০০ বছৰ জুৰি জাক জমকপূৰ্ণ সাম্ৰাজ্যৰ বিকাশ ঘটিছিল। এক সময়ত সংস্কৃতি আৰু সভ্যতাৰ বিকাশ ঘটিছিল মালিৰ চাহেল আৰু এচিয়াৰ চমৰখন্দত, য'ত বৰ্তমান মৰুভূমিৰ উত্তপ্ত বলুকা ৰাশি সূৰ্য্যৰ কিৰণত তিৰবিৰাই আছে।

শস্য শ্যামলা ভূখণ্ডবিলাক কিয় মৰুভূমিলৈ ৰূপান্তৰিত হ'ব লগীয়া হল? আমি ধৰি লওঁ পৃথিৱীৰ জলবায়ুৰ পৰিবৰ্তনেই ইয়াৰ বাবে দায়ী। কিন্তু জলবায়ু বিজ্ঞানীসকলৰ মতে ই সত্য নহয়। তেখেতসকলৰ মতে—সভ্যতাৰ আৰম্ভণিৰেপৰা বৰ্তমানলৈ পৃথিৱীৰ মৰুভূমি অঞ্চলবোৰত বৰষুণ আৰু তাপমাত্ৰাৰ যি পৰিৱৰ্তন পৰিলক্ষিত হৈছে সি যৎসামান্য। সভ্যতাৰ বিকাশৰ পিছৰেপৰা আজিলৈ যি ৯ লক্ষ বৰ্গকিলোমিটাৰতকৈ অধিক অংশ মাটি মৰুভূমিলৈ ৰূপান্তৰিত হ'ল সি দপা-চলতে মানুহৰেই সৃষ্টি।

কথাটো মন কৰিলে দেখা যায় সভ্যতাৰ বিকাশৰ লগে লগে মানুহৰ প্ৰধান জীৱিকাৰ উপায় হ'ল কৃষি কাৰ্য্য। কৃষি কাৰ্য্য কৰিবলৈ লোৱাৰ লগে লগে মানুহৰ আৱশ্যক হৈ পৰিল কৃষি-যোগ্য ভূমিৰ। তাৰ কাৰণে মানুহে হাবি বননিবোৰ কাটি পৰিষ্কাৰ কৰি ল'লে। এটা অঞ্চলত এবাৰ বা দুবাৰ শস্য ৰোপণ কৰাৰ পিচত মাটিৰ সাৰ ভাগ লোপ পোৱা যেন পালে তেওঁলোকে সেই অঞ্চলটো ত্যাগ কৰি আন সাৰুৱা অঞ্চল বিচাৰি গৈছিল। এইদৰে নতুন অঞ্চলত মানুহে কৃষি কাৰ্য্য কৰিবলৈ ধৰিলে। পৃথিৱীৰ বহু অঞ্চলৰ যেনে, আফ্ৰিকা, লেটিন আমেৰিকা আৰু দক্ষিণ পূব এচিয়াৰ মানুহে এতিয়াও হাবি বননি পৰিষ্কাৰ কৰি সেইবোৰ জ্বলাই দি কৃষি উপযোগী মাটি আৱিষ্কাৰ কৰাৰ প্ৰথা চলাই আছে।

কালক্ৰমত মানুহৰ পৰিত্যক্ত কৃষিৰ অনুপযোগী এই অঞ্চলবোৰ হৈ পৰিল গৰু, ছাগলী, ভেড়া, ইত্যাদি জীৱ জন্তুৰ চৰণীয়া পথাৰ। কিন্তু এই পোহনীয়া জীৱ জন্তুবোৰৰ সংখ্যা ক্ৰমাত বাঢ়ি যোৱাৰ লগে লগে চৰণীয়া পথাৰবোৰত ঘাঁহ বনৰো নাটনি হৈ পৰিল। ফলত জীৱ-জন্তুৰ অখাদ্য, সোৱাদহীন, ডাঠ, কাঁইটীয়া গছ আৰু কেক্টাচ্, মেছকুইট্ ইত্যাদি উদ্ভিদেৰে ঠাইবোৰ ভৰি পৰিল।

ইতিমধ্যে এই কৃষিজীৱী মানুহে আশ্ৰয়ৰ স্থান

গৃহনিৰ্মাণৰ কাৰণে বনৰ কাঠ ব্যৱহাৰ কৰা আৰম্ভ কৰিলে আৰু তেওঁলোকৰ খাদ্য সিজাবৰ কাৰণে আৱশ্যক হ'ল খৰিৰ। সেই খৰিৰ কাৰণে মানুহ নিৰ্ভৰশীল হৈ পৰিল বননিৰ গছ, কাঠৰ ওপৰত, (বৰ্তমানেও এচিয়া, আফ্রিকা আৰু লেটিন আমেৰিকাৰ মানুহে খৰি ব্যৱহাৰ কৰি আছে)। ফলত, পৃথিৱীৰ বহু সাৰুৱা অঞ্চলত গছ, বন, ঘাঁহনি নোহোৱা হ'ল আৰু ঠাইবোৰ আৱৰণহীন হৈ পৰিল। বৰ্ষাকাল-বিলাকত বৰষুণৰ পানী পাহাৰ পৰ্বত বিধৌত কৰি তললৈ নামি আহিবলৈ ধৰিলে। ফলস্বৰূপ পাহাৰৰ অনাবৃত মাটি খহি পৰিল আৰু বান পানীৰ সৃষ্টি হ'ল। আনকি অনাবৃত্ত মৰুভূমিৰ বহু অংশও পানীয়ে উটুৱাই নিবলৈ ধৰিলে। আৰু খৰাং বতৰ পৰাৰ লগে লগে এই অনাবৃত মাটিৰ ওপৰৰ কোমল অংশবিলাকত ফাট মেলিলে, আৰু বতাহে বছৰৰ পিছত বছৰ ধৰি এই কোমল সাৰুৱা অংশবোৰ উৰুৱাই অন্য ঠাইলৈ বহন কৰি নিব ধৰিলে। অৱশেষত ৰ'ল মাথোঁ নগ্নীভূত পাহাৰ পৰ্বতবিলাক "Desert Pavement" হিচাবে আৰু হৈ গ'ল অনুৰ্বৰ কঠিন শিলাস্তৰবোৰ।

ওপৰত উল্লেখিত কাৰণবোৰৰ ফলত গ্রীচ দেশৰ কৃষিৰ উন্নতি বিধ্বস্ত হ'ল। সেয়েহে খৃঃ পূঃ ৩ শতিকাৰ পূৰ্বে প্ৰখ্যাত দাৰ্শনিক প্লেটোই অতি দুখেৰে কৈছিল "Our land is like the skeleton of a body wasted by disease. The plump soft parts have vanished. and all that remeains is the bare carcass." উত্তৰ চীন, লেটিন আমেৰিকা, চাহেল, পশ্চিম এচিয়া আৰু মাকিন যুক্ত ৰাষ্ট্ৰৰ বৃহৎ সমভূমিৰ মৰুভূমিবোৰৰ সৃষ্টিৰ কাৰণে মানুহ বহু পৰিমাণে দায়ী।

কিন্তু ৬০০০ বছৰ আগতে কৃষি কাৰ্য্য কৰা মেছোপটেমিয়াৰ মৰুভূমি সৃষ্টিৰ কাৰণ বিভিন্ন প্ৰকাৰৰ। অনাবৃষ্টি আৰু খুব কম বৰষুণ হোৱা অঞ্চল কাৰণে, মানুহে তাত খেতিৰ বাবে জল-সিঞ্চনৰ সহায় লব লগীয়া হ'ল। কিন্তু হাজাৰ হাজাৰ বছৰ পিচলৈকে মানুহে জলসিঞ্চনৰ প্ৰকৃত বিজ্ঞান সন্মত পদ্ধতি আৱিষ্কাৰ কৰিব পৰা নাছিল। ফলস্বৰূপে, কৃষিত এই জলসিঞ্চন ব্যৱস্থা প্ৰয়োগ কৰাত মাটি হৈ পৰিল লৱণাক্ত। খৰাং বতৰত জলসিঞ্চন পদ্ধতি ব্যৱহাৰ কৰা পথাৰ সমূহৰ পানীভাগ বাষ্পীভূত হৈ গ'ল আৰু মাটিৰ ওপৰত অৱশিষ্ট হিচাপে ৰৈ গ'ল নিমখ, ক্ষাৰ আৰু নানা প্ৰকাৰৰ খনিজ। এফালে মাটি যিমানে বেছিকৈ লৱণাক্ত হৈ যাবলৈ ধৰিলে, আনফালে মাটিৰ উৰ্বৰা শক্তি সিমানে কমি আহিল; লগে লগে শস্য উৎপাদনৰ পৰিমাণো কমি আহিল।

আকৌ উত্তৰ অংশৰ পৰ্বত পাহাৰৰ গছ-গছনি কটাৰ ফলত কৃষকৰ দুখ কুলাই পাচিয়ে নধৰা হ'ল। কাৰণ বৰষুণৰ পানীয়ে পৰ্বতৰ অনাবৃত অংশৰপৰা পলসুৱা কোমল মাটিবোৰ সহজে উটুৱাই নিলে। এই পলসুৱা মাটি, জাবৰ জোঠৰ-বোৰ নদী, নলা, খাল আদিৰ মুখত জমা হবলৈ আৰম্ভ কৰিলে; আৰু লগে লগে নদীয়ে পাৰ ভাঙি বানপানীৰ সৃষ্টি কৰিলে। বছৰৰ পিচত

বছৰ ধৰি হোৱা এই বানপানীৰ ফলত, খেতি পথাৰবোৰত নিমখ খনিজৰ পৰিমাণ বাঢ়ি গ'ল। ইয়াৰ কাৰণে পথাৰবোৰৰ শস্য উৎপাদন ক্ষমতা কমি আহিল। আৰু কৃষকৰ অজানিতে, ই হ'ল শস্য বিনষ্টকাৰী বিভীষিকা। দুহেজাৰ বছৰ ধৰি হোৱা বানপানী আৰু খৰাং বতৰৰ ফলত এই অঞ্চলৰ প্ৰায় চাৰিওফালে বালিৰ মোটা তৰপ এটি পৰি ৰ'ল। এই উত্তপ্ত বলুকা ৰাশি দেখি বৈজ্ঞানিক ইৰাক্ একহলমে মন্তব্য দিছে, "Vast sections of southern Iraq glisten like fields of freshly fallen snow."

ছোভিয়েট মাটি বিশেষজ্ঞ ভিক্টৰ কভদাৰমতে যেতিয়াৰপৰা জলসিঞ্চন পদ্ধতিৰ উদ্ভৱ হ'ল, তেতিয়াৰপৰা বৰ্ত্তমানলৈ পৃথিবীৰ খেতি পথাৰ বিলাকৰ ২০ৰ পৰা ২৫ লক্ষ হেক্টৰ মাটি মৰুভূমিলৈ ৰূপান্তৰিত হ'ল আৰু ইয়াৰ প্ৰধান কাৰণ হ'ল লবণাক্ত প্ৰথা আৰু পানী আবদ্ধ হৈ থকা প্ৰথা। আৰু সেই সৰ্বনাশী ভুলটো আমি আজিলৈ কৰি আছোঁ। ইজিপ্ত, চিৰিয়া, ইৰাণ আৰু পাকিস্থানৰ জলসিঞ্চনৰ ব্যৱস্থা থকা শতকৰা ৫০ ৰ পৰা ৭০ ভাগলৈ মাটি এই লবণতাই বিনষ্ট কৰিছে। উত্তৰ আৰু মধ্য আফ্ৰিকা, দক্ষিণ আমেৰিকা আৰু সুদূৰ প্ৰাচ্যৰ ধান উৎপন্ন হোৱা অঞ্চলবোৰত দিনে দিনে এই লবণাক্ত মাটিৰ পৰিমাণ বাঢ়ি গৈ আছে। চেনেগাল'ৰ দহ বছৰৰো পুৰণি জলসিঞ্চনৰ ব্যৱস্থা থকা কুঁহিয়াৰৰ পথাৰবোৰ আজি মৃতপ্ৰায়। অকল সেয়ে নহয়; পৃথিবীৰ দুশ লক্ষ হেক্টৰ জলসিঞ্চন ব্যৱস্থা থকা অঞ্চলৰ প্ৰায় এক দশমাংশ স্থান আজি বিধ্বস্ত হ'বলগীয়া হ'ল। এই লোকচান সঁচাকৈয়ে ভয়ানক।

ডাঙৰ ডাঙৰ জলসিঞ্চনৰ বান্ধ সৃষ্টিয়ে এই সমস্যা আৰু গুৰুতৰ কৰিছে। প্ৰায় ৫০ শতিকা ধৰি নীল নদীয়ে প্ৰতি বাৰিষাই ইজিপ্তত বান পানীৰ সৃষ্টি কৰিছিল আৰু ই নিমখ আৰু খনিজবোৰ উটুৱাই নিছিল আৰু মাটিৰ ওপৰতে অৱশিষ্ট হিচাবে বৈ গৈছিল উৰ্বৰ পলসুৱা মাটিৰ পাতল স্তৰ। 'আচৱান বান্ধ' সৃষ্টিৰ পিচৰে পৰা খেতি পথাৰলৈ পানী নিব লগা হ'ল পাম্প্ কৰি। ফলত মাটি লবণাক্ত হোৱা প্ৰথাক বাধা দিয়াৰ উপায় নোহোৱা হ'ল; আনহাতে উৰ্বৰ পলসবোৰ বৈ গ'ল বান্ধৰ বিপৰীত ফালে। আৰু লগে লগেই, ইজিপ্ত জাতিৰ ইতিহাসত পোন প্ৰথম বাৰৰ বাবে কৃষি পথাৰত কৃত্ৰিম সাৰ প্ৰয়োগ কৰিব লগীয়া হ'ল। কৃষি বিশেষজ্ঞ সকলে ভৱিষ্যত বাণী কৰিছে যে, ইজিপ্তবাসীয়ে বান্ধ সৃষ্টি হোৱাৰ পূৰ্বে পথাৰত যি পৰিমাণৰ শস্য উৎপন্ন কৰিবলৈ সক্ষম হৈছিল, ১৯৮০ চনৰ ভিতৰত তাতকৈ বহু কম শস্য উৎপাদন কৰিবলৈ সক্ষম হব।

জনসংখ্যা বৃদ্ধিও মৰুভূমিৰ প্ৰসাৰতাৰ কাৰণ বুলি ধৰিব পাৰি। কাৰণ, বহু মৰুপ্ৰায় আৰু শুকান অঞ্চলত মানুহ আৰু আন জীৱ জন্তুৰ সংখ্যা প্ৰতি ২৫ বছৰৰ ভিতৰত দুগুণৰ পৰা দুগুণ হৈ গৈ আছে। যদিও বছৰেকীয়া বৰষুণৰ পৰিমাণ ৩৫০ মিলিমিটাৰ কৃষিৰ উপযোগী, জনসংখ্যা বৃদ্ধিৰ লগে লগে মাটিলোভী মানুহে এনে

অঞ্চলবোৰত খেতি কৰিবলৈ আৰম্ভ কৰিলে য'ত বছৰেকীয়া বৰষুণৰ পৰিমাণ ১৩০ মিলিমিটাৰতকৈয়ো কম। ফলস্বৰূপে, এনে অঞ্চলবোৰৰ ভীপাল মাটি শুকান হবলৈ ধৰিলে আৰু খৰাং বতৰত বতাহে এই শুকান মাটিৰ স্তৰবোৰ আঁতৰলৈ উৰুৱাই নিবলৈ ধৰিলে।

মানুহৰ দ্বাৰা সৃজিত এই মৰুভূমিৰ এটি গুৰুত্বপূৰ্ণ লক্ষণীয় বিষয় হ'ল—এবাৰ সৃষ্টি হোৱাৰ পিচত এই মৰুভূমি চিৰস্থায়ী হৈ ৰৈ যায় আৰু ইয়াৰ কাৰণে আনকি সেই অঞ্চলৰ জলবায়ুৰো যথেষ্ট পৰিৱৰ্তন ঘটে। উদাহৰণস্বৰূপে, নিৰক্ষীয় অঞ্চলৰ জলবায়ুত যি পৰিমাণৰ জলীয় বাষ্প নিহিত হৈ আছে তাৰ প্ৰায় শতকৰা ৮০ ভাগ জলীয় বাষ্প আছে ভাৰতৰ থৰ মৰুভূমিৰ বায়ুমণ্ডলত। কিন্তু দুৰ্ভাগ্যৰ বিষয়, এই অঞ্চলৰ বৃষ্টিপাত নিচেই সামান্য। এই ক্ষেত্ৰত বিজ্ঞানী সকলে মত পোষণ কৰিছে যে, বালিময় উপৰিভাগে সূৰ্য্যৰ ৰশ্মি নিজে শুহি লোৱাৰ পৰিবৰ্তে প্ৰতিফলিত কৰে; আৰু বায়ুমণ্ডলত ওপঙি থকা ধূলিকণাবোৰেও আংশিকভাৱে সূৰ্য্য ৰশ্মিক পৃথিবীলৈ নামি অহাৰ পৰা বিৰত কৰে। ইয়াৰ ফলত উপৰিভাগ যথেষ্ট পৰিমাণে উত্তপ্ত হবলৈ সুযোগ নাপায় আৰু লগে লগে সেই অঞ্চলবোৰত বৰষুণৰ সৃষ্টিৰ কাৰিকৰিতা লোপ পায়। ফলত, মৰুভূমিয়ে নিজৰ পৰিপোষণ নিজে কৰিব লগীয়া হয় আৰু দাঁতিকাষৰীয়া অঞ্চলবোৰো গ্ৰাস কৰা আৰম্ভ কৰে।

মৰুভূমিৰ নিতে নব সৃষ্টিয়ে জীৱ জগতৰ ওপৰতো আঘাত হানিছে। যোৱা কুৰি বছৰ ধৰি ব্ৰাজিলৰ চিৰ সেউজ ইচপিৰিটো চন্টো অঞ্চলৰ অৰণ্যবোৰ পৰিষ্কাৰ কৰাৰ ফলত সেই অঞ্চলত বাস কৰা দুশ চাৰি প্ৰকাৰৰ বিভিন্ন চৰাইবোৰ নিচিহ্ন হৈ গ'ল। এই পতঙ্গভোজী চৰাইবোৰ নিচিহ্ন হৈ যোৱাৰ লগে লগে পোক-পৰুৱাই শস্যৰ অনিষ্ট সাধন কৰিবলৈ আৰম্ভ কৰি দিলে। তাৰোপৰি, গছ-গছনি নোহোৱা হৈ পৰাত সূৰ্য্যৰ প্ৰখৰ উত্তাপক প্ৰতিৰোধ কৰাৰ উপায় নোহোৱা হ'ল। ফলত ইয়াত বসবাস কৰা মানুহবোৰে, বিশেষকৈ পাতল ছালৰ জাৰ্মান বাসিন্দাখিনিয়ে অশেষ কষ্ট ভুগিব লগীয়া হ'ল। ফেডাৰেল বিশ্ববিদ্যালয়ৰ এজন চৰ্মৰোগ বিশেষজ্ঞৰ মতে, এই অঞ্চলৰ শতকৰা নিৰানৈব্বৈ ভাগ লোকে নানা প্ৰকাৰ চৰ্মৰোগ আৰু কেন্সাৰ বেমাৰত ভুগিব লগীয়া হৈছে।

এই সৰ্বগ্ৰাসী মৰুভূমিক বাধা দিব পাৰিনে? যিবিলাক অঞ্চলৰ উপৰিভগৰ কোমল সাৰুৱা মাটি অংশ তাৰ তলত অৱস্থিত কঠিন শিলাস্তৰ পৰ্য্যন্ত নিচিহ্ন হৈ গৈছে, আৰু যিবিলাক অঞ্চলত নিমখ আৰু খনিজই পানীয়ে উটুৱাই নিব নোৱাৰাকৈ স্তৰে স্তৰে ডাঠ আৱৰণৰ সৃষ্টি কৰিছে তেনেকুৱা অঞ্চলবোৰক পুনৰুদ্ধাৰ কৰা বা তাৰ ক্ষতি পূৰণ কৰা সম্ভৱ নহব। কিন্তু যিবিলাক অঞ্চল এতিয়া নতুনকৈ মৰুভূমিলৈ ৰূপান্তৰিত হবলৈ আৰম্ভ কৰিছে বা যিবিলাক অঞ্চলত গছ ৰোপণ কৰিলে শিপা মাটিৰ বহু তললৈ যাব পৰা আৰু খোপনি পুতিব পৰা অৱস্থাত আছে সেই অঞ্চলবোৰক মৰুভূমিলৈ ৰূপান্তৰিত হোৱাৰ পৰা বিৰত কৰিব পৰা যাব; আনকি বহুতো